# আৰোহণ

চৰাইদেউ জিলাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰকাশিত বিশেষ পত্ৰিকা

প্ৰকাশ কাল ঃ ১৭ ফেব্ৰুৱাৰী ২০২৪

**মুখ্য সম্পাদক ঃ নিবেদন দাস পাটোৱাৰী**

সম্পাদনা সহযোগী ঃ চৈয়দা হাস্নাহানা, দ্বীপেন বৰুৱা, অভিজিৎ ভূঞা

## সম্পাদকীয়ৰ পৰিৱৰ্তে

### অন্য এক যাত্ৰা

পাটকাই সিপাৰৰপৰা এক যাত্ৰা আৰম্ভ হৈছিল। যাত্ৰাৰ নেতৃত্ব দিছিল চাওলুং চ্যুকাফাই। সপোন আছিল এখন ৰাজ্য স্থাপন কৰা। ১২২৮ চনত সেই সপোন ক্ৰমে বাস্তৱায়িত হ'বলৈ ধৰিছিল পাটকাই পাৰ হৈ। সৌমাৰখণ্ডত ভৰি থৈয়ে আঘোণৰ পথাৰত সোণালী শস্য দেখি সেয়ে চ্যুকাফাই ক'লে "ম্যুং দুন চুন খাম"। তাৰ পৰৱৰ্তী সময়ত ১২৫৩ চনত চৰাইদেউ পাহাৰৰ ওপৰত ৰাজধানী স্থাপন কৰি সাত ৰাজ সামৰি এক ৰাজ কৰি বৰ অসম গঢ়াৰ অন্য এক যাত্ৰা আৰম্ভ হ'ল। আৰম্ভ হ'ল সোণালী দিনৰ। প্ৰায় ছশটা বছৰ ৰাজত্ব কৰিলে চাওলুং চ্যুকাফাৰ পৰৱৰ্তী সময়ৰ মহান স্বৰ্গদেউসকলে। সেই সময়ছোৱাত লিখি ৰখা হৈছিল ঘা-প্ৰতিঘাতৰ মাজেৰে আগবঢ়া সেই দিনবোৰৰ কথা। ইতিহাসে সোঁৱৰা ছশটা বছৰ আৰু তাৰ পৰৱৰ্তী সময় অৰ্থাৎ সাম্প্ৰতিক সময়লৈকে এক দীঘলীয়া যাত্ৰা। বৰ অসমৰ ভেটিত আজি আমি বাস কৰিছোঁ। চাওলুং চ্যুকাফাই বৰ অসমৰ ভেটি গঢ়িবলৈ ৰাজধানী স্থাপন কৰা চে-ৰায়-ডয় অৰ্থাৎ চৰাইদেউৰ মৈদামক্ষেত্ৰ এতিয়া বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হোৱাৰ পথত। আহোম ৰাজত্বকালৰ প্ৰথমটো স্থায়ী ৰাজধানী তথা পৰৱৰ্তী সময়ত আহোম স্বৰ্গদেউসকলৰ পৱিত্ৰ সমাধিস্থলীত পৰিণত হোৱা চৰাইদেউ মৈদামক্ষেত্ৰৰ নাম ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে ভাৰত চৰকাৰে মনোনয়ন প্ৰেৰণ কৰাৰ পাছত ইতিমধ্যে ইউনেস্ক'ৰ প্ৰতিনিধিয়ে মৈদামক্ষেত্ৰ তথা পাৰ্শ্বৱৰ্তী অঞ্চলসমূহ পৰিদৰ্শন কৰি প্ৰতিবেদন প্ৰস্তুত কৰিছে। আগন্তুক দিনত সেই প্ৰতিবেদনৰ ভিত্তিতেই ভাল খবৰ অহাৰ সম্ভাৱনীয়তাৰ কথা ইতিমধ্যে চৰ্চালৈ আহিছে। আমি আশাবাদী চৰাইদেউ মৈদামক্ষেত্ৰই বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হওক। তেতিয়া নিশ্চিতভাৱে কেৱল চৰাইদেউ মৈদামক্ষেত্ৰই নহয়, ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত পৰ্যটনৰ সম্ভাৱনীয়তাই গা কৰি উঠিব। সেয়া কেৱল চৰাইদেউ নহয় সমগ্ৰ ৰাজ্যখনৰ বাবেই হ'ব ইতিবাচক খবৰ।

পূৰ্বৰ শিৱসাগৰ জিলাৰ অন্যতম মহকুমা চৰাইদেউক ২০১৫ চনত জিলালৈ উন্নীত কৰাৰ পাছত চৰাইদেউ জিলাই অসমৰ মানচিত্ৰত সুকীয়া স্থান লাভ কৰিলে। নৱগঠিত জিলাখনৰ আন্তঃগাঠনি উন্নয়নৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাত চৰাইদেউবাসী উপকৃত হ'বলৈ ধৰিছে। শিক্ষা, স্বাস্থ্য আদি খণ্ডত ন ন সংযোজন হ'বলৈ ধৰা নৱগঠিত জিলাখনে ইতিমধ্যে বিভিন্ন ক্ষেত্ৰত শীৰ্ষস্থানত আৰোহণ কৰিবলৈ সক্ষম হৈছে। সেয়ে চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত জিলা প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰকাশ কৰা এই পত্ৰিকাখনৰ নাম আমি "আৰোহণ" ৰাখিলোঁ। আমি আশা কৰিছোঁ অনাগত দিনত চৰাইদেউ জিলাই প্ৰতিটো ক্ষেত্ৰতে শীৰ্ষাৰোহণ কৰিবলৈ সক্ষম হওক। আৰ্থ-সামাজিক, শিক্ষা, ক্ৰীড়া, সাহিত্য, সাংস্কৃতিক তথা ৰাজনীতি আদি প্ৰতিটো দিশতে জিলাখনৰ নৱপ্ৰজন্মই সফলতা লাভ কৰিবলৈ এতিয়াৰপৰাই এক যাত্ৰা আৰম্ভ কৰক। আনতকৈ বেলেগ অন্য এক যাত্ৰা। -ঃঃঃ-

# Higher Education in Charaideo District

**Dr Sunil Dutta**

Vice Principal, Sonari College

Higher education, as affirmed by the National Education policy (NEP) 2020, plays a highly significant role in developing India as envisioned in the Indian constitution. The honourable Prime Minister Mr Narendra Modi envisages that 'Developing India' will be transformed into a 'Developed India' (Viksit Bharat) by 2047, the 100th year of its independence from colonial rule. Undeniably, sustainable livelihood, economic growth and holistic development of a nation depend crucially on quality higher education. The 21st century education, therefore, must aim at producing good, innovative, progressive, productive and contributing citizens for shaping an equitable, inclusive, cultured, knowledge and vibrant society.

Traditionally, Higher Education Institutions (HEIs) comprise universities and colleges. In Charaideo district, higher education is imparted in colleges only. There are six provincialized colleges and one permitted college in the district instituted in different decades of the 20th century. Sonari College and Sonari Commerce College, situated in the heart of Sonari town, are the nerve-centres of higher education in science, arts and commerce streams. Established in 1970, Sonari College flourished under the firm and charismatic leadership of the founder Principal Late Golap Chandra Borgohain. Dr Bimal Chandra Gogoi, the present principal of the college, leaves no stone unturned to make it a centre of excellence. Sonari Commerce College,

*Cont. Page 2 ...*



# ম্যুং-মাওৰপৰা চৰাইদেউলৈ চাওলুং চ্যুকাফাৰ বৰ্ণিল যাত্ৰা

**দিলীপ কুমাৰ বুঢ়াগোহাঁই**

দক্ষিণ চীনৰ মুং-মিত কুপ-ক্লিং-নয় ৰাজ্যৰ ৰজা চাও চাং-ন্যেউ ওৰফে ফু-চাং-খাং আৰু নাং মউ-ব্লক খাম-চেনৰ সৰু পুতেক হ'ল চাওলুং চ্যুকাফা। তেওঁ পুঠায়েক চাও তাই পঙৰ ৰাজধানী কিন- চেত ১১৯১ চনত জন্মগ্ৰহণ কৰিছিল। চাওলুং চ্যুকাফা স্বৰ্গদেৱে ১২৬৮ চনত ৭৭ বছৰ বয়সত মৃত্যু হোৱাৰ তথ্য বুৰঞ্জীয়ে দিয়াৰ লগতে Documentary History of the Ahom, Folio 3 (V) ৰ মতে (১২৬৮-৭৭) ১১৯১ চনৰ জন্মদিনৰ বছৰটো গ্ৰহণ কৰা সম্ভৱ। সেই সময়ত মোমায়েক পা-মেউ-পুঙৰ কোনো সতি-সন্ততি নাছিল। চাওলুং চ্যুকাফাক এনায়েকে ডাঙৰ-দীঘল কৰিছিল আৰু মোমায়েকৰ কোনো ল'ৰা নথকাত লাক-নি মুং-ৰাও বছৰৰ পৰা ডাপ-ৰাও বছৰলৈকে সুদীৰ্ঘ ১৯ বছৰ ধৰি চ্যুকাফা মাও-লুং ৰাজ্যৰ স্থলাভিষিক্ত (হিত-চাও) ৰজা হৈ আছিল। পিছে লাক-নি মুং-মুত বছৰত (১২১২ চন) মোমায়েকৰ ল'ৰা ছু-খান-ফাৰ জন্ম হ'ল। পিছত তেওঁকে উত্তৰাধিকাৰী সূত্ৰে লাক-নি কাত-ৰাও (১২১৫ চন) বছৰত মাও-লুং ৰাজ্যৰ ৰজা বুলি ঘোষণা কৰিলে। তেতিয়া চ্যুকাফাই ভাই-ককাইৰ লগত ৰাজ্যলৈ কোনো কাজিয়া নকৰি এনায়েকৰ উপদেশ মতে লাক-নি কাত-ৰাও বছৰত সদলবলে নতুন ঠাইৰ সন্ধানত মাও-লুংৰ পৰা আঁতৰি আহিল।

*দ্বিতীয় পৃষ্ঠাত চাওক...*

## অসমৰ নিৰ্বাচনী ৰাজনৈতিক মানচিত্ৰত

# চৰাইদেউ জিলা

**অৰুণ বৰুৱা**

মুৰব্বী অধ্যাপক,ৰাজনীতি বিজ্ঞান বিভাগ,মৰাণ মহিলা মহাবিদ্যালয়

পৰিভ্ৰমী জীৱন সামৰি মানৱ গোষ্ঠীয়ে যেতিয়াৰ পৰাই স্থায়ীভাৱে সামাজিক জীৱন আৰম্ভ কৰিলে। তেতিয়াৰ পৰাই শৃংখলিতভাৱে সমাজক পৰিচালিত কৰিবলৈ নেতৃত্বৰ আৱশ্যকতা আহি পৰিল। এই নেতৃত্বৰ পৰাই এদিন ৰাজা-মহাৰজা, ৰাজ্যব্যৱস্থা আদিৰ সৃষ্টি হ'ল। এই গোটেইবিলাক সামৰি বিস্তৃত অৰ্থত ব্যৱহৃত হ'বলৈ ধৰিলে 'ৰাজনীতি' শব্দটো। বৈদিক যুগৰ আৰম্ভণিৰে পৰাই অসমৰ ৰাজনৈতিক অৱস্থাৰ টুকুৰা-টুকুৰ ছবি মহাকাব্য, ইতিহাস আৰু শিলালিপিসমূহত বৰ্ণিত আছে। প্ৰাচীন কামৰূপৰ পৰা আহোমৰ ৬০০ বছৰীয়া শাসনলৈকে অসমৰ ৰাজনৈতিক বাতাবৰণৰ সবল স্থিতি ইতিহাসে ধৰি ৰাখিছে।

অসম বুৰঞ্জীৰ গৌৰৱোজ্জ্বল অধ্যায়ৰ পৃষ্ঠাই পৃষ্ঠাই সিঁচৰতি হৈ থকা এখন ঠাইৰ নাম হ'ল শিৱসাগৰ। বুৰঞ্জীৰ মতে চুকাফাই প্ৰথমে মুং-ক্লাং-চেখত অৰ্থাৎ সম্প্ৰতি শিৱসাগৰ জিলাৰ অন্তৰ্গত অভয়পুৰত ৰাজধানী স্থাপন কৰে। অৱশ্যে তেওঁ বানপানীৰ অসুবিধাৰ কাৰণে ওখ ঠাইৰ সন্ধানত সঘনে ৰাজধানী সলাই থাকিবলগীয়া হৈছিল। বানপানীৰ অসুবিধাৰ বাবেই দিখৌ নদীৰ পাৰৰ অভয়পুৰ ত্যাগ কৰি হাবুঙলৈ ৰাজধানী স্থানান্তৰ কৰিছিল যদিও সেই ঠাইতো পুনৰ বানপানী হোৱাৰ কাৰণে তাৰপৰা দিখৌ নদীয়েদি আহি শিৱসাগৰ জিলাৰ লিগিৰা গাঁৱত ১২৪৪ খৃঃত ৰাজধানী প্ৰতিষ্ঠা কৰে। পৰৱৰ্তী সময়ত চুকাফাই সেই স্থানতো ক্ষান্ত নাথাকি ১২৫৩ খৃঃত শিৱসাগৰ জিলাৰ চৰাইদেউত আহোম ৰাজ্যৰ স্থায়ী ৰাজধানী পাতে। ইয়াৰ লগে লগে দৰাচলতে অসমত গৌৰৱময় অহোম সাম্ৰাজ্যৰ ছশ বছৰীয়া ইতিহাসৰ সোণোৱালী অধ্যায় সূচনা হয়। বৰ্তমানৰ চৰাইদেউ জিলাখন ২০১৫ চনৰ ১৫ আগষ্টলৈকে ঐতিহাসিক শিৱসাগৰ জিলাৰে এটা গুৰুত্বপূৰ্ণ মহকুমা আছিল।

আধুনিক সমাজ এখনৰ উন্নয়নৰ মূল আধাৰ হৈছে ৰাজনীতি। সমাজৰ সামগ্ৰিক বিকাশৰ চাবি- কাঠিও ৰাজনীতিৰ সৈতে জড়িত হৈ আছে। ৰাজনৈতিকভাৱে অসমৰ প্ৰেক্ষাপটত চৰাইদেউক তুলি ধৰিবলৈ যাঁওতে স্বাধীনতাৰ পৰৱৰ্তী সময়ত বহুতো ব্যক্তিৰ অৱদান লুকাই আছে। যিসকলে ৰাজনৈতিকভাৱে সমৃদ্ধিশালী চৰাইদেউ নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল, সেইসকলৰ বহুমূলীয়া অৱদানক ইতিহাসে সদায় স্বীকাৰ কৰিব। তদুপৰি যিসকল ব্যক্তিৰ আশাসুধীয়া আৰু নিষ্ঠাবান প্ৰচেষ্টাত আমি বৰ্তমানৰ ঐতিহাসিক চৰাইদেউ জিলা খন লাভ কৰিছোঁ সেইসকলৰ অৱদানক চৰাইদেউ বাসীয়ে সদায় মনত ৰাখিব। উল্লেখযোগ্য যে বৰ্তমানৰ চৰাইদেউ জিলাখন ৯৪ নং মাহমৰা বিধানসভা সমষ্টি আৰু ৯৩ নং সোণাৰি বিধানসভা সমষ্টিৰে গঠিত হৈছে।

*চতুৰ্থ পৃষ্ঠাত চাওক...*

*প্ৰথম পৃষ্ঠাৰপৰা...*

# ম্যুং-মাওৰপৰা চৰাইদেউলৈ...

চাওলুং চ্যুকাফাৰ এই প্ৰব্ৰজনৰ সময়ত দেউতাক ফু-চাং-খাঙৰ ৰাজ্য ম্যুং-খা ম্যুং-জাৰ পৰা চ্যুকাফাৰ লগত আহিছিল ৰাজপৰিয়ালৰ সদস্য খুন-বা, খুন-ফ্ৰং, খুন-বিং, খুন-ফু-কিন কোঁৱৰ সকল, দুজন মন্ত্ৰী ডাঙৰীয়া থাও-মঙ-বান-কই, থাও-মঙ কাঙ-ঙান, কেইজনমান প্ৰধান বিষয়া এই সকলৰ পৰিয়াল আৰু তাই বংশৰ ৯০০০ (ন হেজাৰ) প্ৰজাসহ সৈন্য, ৩০০০ ঘোঁৰাৰে সৈতে ঘোঁৰাচোৱাসকল আৰু স্বৰ্গদেউৰ তিনিগৰাকী ৰাণী আই-মে-চাও-লো, নাং-চেন-চুম-ফা আৰু য়ি-লো-ৰেং-চিং-চুম-ফা (বৃহৎ তাই জাতি- পৃষ্ঠা ৫৩)। চ্যুকাফাৰ লগত অহা হাতীটোৰ নাম খাম-ক-মঙ মাইকী হাতীজনীৰ নাম কিশ-কট আৰু হাতীৰ তদাৰকত আহিছিল ফ্ৰং-পেম।

চ্যুকাফাই লাক-নি খুট-মিত, ৰুঙ্গ-কাগু, তাও-চাও অৰ্থাৎ ১২১৬, ১২১৭ আৰু ১২১৮ এই তিনি বছৰ প্ৰব্ৰজন কৰি আহি খোন-লো-চিও পালেহি। আকৌ লাক-নি কা-বাও, কাপ-ঙ্গি, ডাপ-ৰাও, ৰাই-চিত অৰ্থাৎ ১২২২ চনলৈকে চাৰিবছৰ যাত্ৰা কৰি মঙ-না-মঙ-টি পালেহি আৰু তাতে জিৰণি ল'লে। ইয়াৰ পিছত লাক-নি মঙ-কেও, প্লেক-চিঙা বছৰত আহি খাওক-চাং-ভিং-মেইন পালেহি। খুত-চান বছৰত ভিং-মেইন নগৰৰ নৈৰ ঘাটেদি পাম-কিউ (ইৰাৱতী) নৈ পাৰ হ'ল। লাক-নি ৰুং- কাও আৰু তাও-মিত বছৰত চাক-চাং-খাই গাঁও পালেহি। লাক-নি কা-কেউ বছৰত চাওলুং চ্যুকাফাই সদলবলে আহি মুং-কে পালেহি আৰু তাত তেওঁলোকে জিৰণি ল'লে। তাৰ পৰা চাওলুং চ্যুকাফাই তা-খুন-লাক, খুন-তং, কাং-খ্ৰু-মঙ, কা-ঙন, থাও-মুঙ, থাও-খেন-লুং প্ৰমুখ্যে তেওঁৰ বিষয়াসকলক মুঙ-কং দেশৰ বান-লাকত যুদ্ধ কৰিবলৈ পঠালে। সেই অঞ্চলৰ লোকসকলক বশ কৰি চ্যুকাফাৰ দলে পুনৰ যাত্ৰা কৰি প্ৰথম লং-মি-চেচ-কাও আৰু পিছত মান-লা-খ্ৰঙ, মুঙ-খাও-মুঙ-পাম আৰু পা-কে- চি-ৰিন পালেহি। এইখিনি পাক-তু-লুং পৰ্বত পোৱাৰ পূৰ্বৰ কিছু পৰ্বতীয়া জাতিৰ লোকৰ বসতি অঞ্চল আছিল। পিছত চ্যুকাফাৰ দলে হাবি-জংঘলেৰে ভৰপূৰ কণ্টকময় পাক-তু-লুং পৰ্বত অতিক্ৰম কৰি আহি ৰিন-মেন-মুঙ-নেন আৰু পাম-তি-লিক কাং-তাই পালেহি। লাক-নি কাপ-চাও বছৰত তেওঁলোক আহি মুঙ-খাং-মুঙ-জাং পালেহি। ইয়াৰ এখন নৈৰ নাম খাম-য়াং। এই নৈখন পাটকাই পৰ্বতৰ পৰা ওলাই আহি নং-য়াং নামৰ হ্ৰদত পৰিছে। নং-য়াঙৰ পৰা আকৌ তুৰুং নাম লৈ উত্তৰমুৱাকৈ বৈ গৈ চিন্দউইন নদীত পৰিছে।

খাম-য়াং বা খাম-জাং নৈৰ উপত্যকাত খাম-জঙ্গীয়া লোকসকলৰ বসতি আছিল। নং-য়াং হ্ৰদৰ কাষত চ্যুকাফাৰ দলটো কিছুদিন থাকিল। তেওঁলোকে তাত খেতি কৰি কিছু খাদ্য সামগ্ৰীও গোটাই ল'লে। পিছত তেওঁলোকে এই ঠাই এৰি অহাৰ সময়ত নং-য়াং হ্ৰদৰ কাষৰ এছটা শিলত চ্যুকাফাই তাই আহোম আখৰেৰে তেওঁলোক অহাৰ কথা লিখি ৰাখিছিল। ১৮৮৪-৮৫ চনত মেজৰ চি-আৰ-মেকগ্ৰিগৰে এই অঞ্চল জৰীপ কৰোঁতে শিলচটাট লিখা ফলকখন পাইছিল আৰু এই কথা খামটি-চিংফৌ ৰাজ্যৰ মিলিটেৰি ৰিপোৰ্টত উল্লেখ কৰিছিল। (বৃহৎ তাই জাতি, পৃঃ ৫৬) নং-য়াং হ্ৰদত থকা সময়তে ইয়াৰ সমীপৰ ৰু-খু, পুং-কাং, তি-থাং, ডিং-লাও, লা-তে-মা, লাং-পাং, তা-ৰু, লু-থাম, তাপু-তপ আদি নগা চাং বিলাকৰ লগত চ্যুকাফাৰ সৈন্য দলে যুদ্ধ কৰি চাং বিলাক তলতীয়া কৰি লৈছিল। চ্যুকাফাই পিছত এই পাহাৰীয়া লোকসকল থকা অঞ্চলটোক খাম-জাং নাম দি এখন প্ৰদেশ পাতিলে আৰু তাৰ শাসনভাৰ কাং-খ্ৰু-মঙক দি পুনৰ যাত্ৰা আৰম্ভ কৰিলে। যাত্ৰা আৰম্ভ কৰাৰ পূৰ্বে তেওঁ এবাৰ তেওঁৰ লগত অহা দলটোৰ লোকসকলৰ সংখ্যা গণি চালে। গণনাত তিনিকুৰি সাতজন কম ওলাল, তিনিকুৰি ঢুকাল আৰু সাতজন হেৰাল। তেতিয়া তেওঁ লগত অহা পণ্ডিতক আদেশ দিলে- 'যেতিয়া যি কৰা হয়, যি মৰে, যাক পাওঁ, সকলো কথা পণ্ডিতে লিখি ৰাখিব।'

চাওলুং চ্যুকাফাই নং-জাং হ্ৰদৰ উত্তৰ কাষেদি পাৰহৈ আহি একে ঠাইতে ৯ টা পৰ্বত লগ লগা পালে। তেতিয়া সেই ঠাইৰ নাম দয়-কাও-ৰাং দিলে। এই ঠাইৰ আশে-পাশে আছিল পা-পুক, টেত্-খাম, খুন-টেং, টেং-চি আৰু ছা-খাম নগাৰ গাঁওবোৰ। এওঁলোকে আছিল বৰ উগ্ৰ আৰু বশ নমনা লোক। ফলস্বৰূপে চ্যুকাফাৰ সৈন্যৰ হাতত বহু মৰিল আৰু বহু সংখ্যক পলাল। তেওঁলোকৰ ভিতৰত সাহসী লোকসকলক উগ্ৰ শাস্তি দিলে, তেওঁলোকৰ বশ নমনাবোৰক মঙহ কাটি সিজাই নিজৰে ককাই-ভয়েকবোৰক মঙহ খোৱালে। তাকে দেখি অন্যান্য খা বোৰেও বৰ ভয় খালে আৰু যুদ্ধৰ পৰা পৃষ্ঠভংগ দিলে। ইয়াৰ পিছত চ্যুকাফাই ডয়-কাও ৰঙ্গৰৰ পৰা নামি ভটিয়াই আহি নাম-বং নামৰ এখন নৈ পালে। ইয়াৰ পিছত নাম-বং নৈৰ পাৰে পাৰে ভটিয়াই আহি ছখন উপনৈ লগ লাগি এখনহৈ নাম- বং নদীত পৰা পালে। সেই কাৰণেই চ্যুকাফাই এই নৈখনৰ নাম নাম-ৰুক দিলে। নাম-ৰ অৰ্থ পানী বা নৈ আৰু ৰুক-ৰ অৰ্থ ছয়। ইয়াত চ্যুকাফাই কিছু দিন বৈ হাবিৰ কাঠ কটাই কিছুমান ভুৰ সজাই ল'লে আৰু দুৰ্বলসকলক ভুৰত তুলি নাম-ৰুক নৈয়েদি ভটিয়াই আহিল। লাক-নি ডাপ-বাও বছৰত নাম-ছিন নৈ পালেহি। নাম-ৰ অৰ্থ পানী বা নৈ আৰু ছিন-ৰ অৰ্থ চেঁচা। এইখনেই হ'ল বুঢ়ীদিহিং নৈ। পিছত নৈখনেদি উজাই আহি লা-খেন আৰু তেন-ছাৰে সৈতে যুদ্ধ কৰিলে। যুদ্ধ জয় কৰি পিছত চ্যুকাফা স্বৰ্গদেৱে লাক-নি ৰাই-ঙ্গি বছৰত ফা-লুং-খুন-টাঙক তাৰ শাসনকৰ্তা পাতি বুঢ়ীদিহিঙেদি ভটিয়াই আহিল। তেওঁ অলপ ভটিয়াই আহি মঙ-লা-খেন আৰু টেং-চা নামৰ দুখন গাঁও পালেহি। এই দুয়োখন গাঁৱে চ্যুকাফাৰ বিৰুদ্ধে ফেৰ নাপাতি সহযোগ কৰিলে আৰু তাকে দেখি ওচৰৰ অন্য গাঁওবোৰেও চ্যুকাফাৰ লগ ল'লেহি।

চ্যুকাফাই এই ঠাইৰ পৰা কিছুদূৰ ভটিয়াই আহি তলৰ সমভূমিত এটা আহল-বহল চাপৰি পালে। সেই দিনটো আছিল ১২২৮ চনৰ বহু আঘোণ। মুঙ-ডুন-চুন-খামৰ বাবে এটা অতি সোণালী দিন যিদিনা চাওলুং চ্যুকাফাই বৰ্তমানৰ অসমৰ মাটিত ভৰি দিছিলহি। চাওলুং চ্যুকাফাই এই ঠাইৰ নাম দিলে মঙ-টি-পাম। টিপামত তেওঁলোকে মুঙ-মাও, প্লেক-চি আৰু কাত-ছেউ এই তিনিবছৰ থাকি তিনিটা খেতি কৰিলে। পিছে এই ঠাই ডোখৰতো বানপানীয়ে আমনি কৰাত চ্যুকাফাই স্থায়ী বসবাসৰ অনুপযোগী বুলি ভাবি নতুন ঠাইৰ সন্ধানত তাৰপৰা আঁতৰি আহিবলৈহে মন কৰিলে। কিন্তু চাওলুং চ্যুকাফাই টিপামত প্ৰথম ৰাজকাৰ্য আৰম্ভ কৰি থাও মুঙ-বান-ৰুইক বুঢ়াগোহাঞি মন্ত্ৰী আৰু থাও মুঙ-কাৰ-ঙানক বৰগোহাঞি মন্ত্ৰীৰ বিষয় দিলে। পূৰ্বে ছু-খাং-ফাই জয় কৰি যোৱা এই অঞ্চলৰ মানুহখিনিয়ে মাও-ছান ৰাজ্যলৈ কৰ নপঠাই চ্যুকাফাকে এই কৰ গতালে আৰু চ্যুকাফাৰ অনুগামী হ'ল। এওঁলোক তিনিজন কৰ সংগ্ৰহ কৰা বিষয়া আছিল। তাৰে এজনৰ বংশধৰক পিছলৈ মৰাণ পাতৰৰ ঘৰ বুলিলে আৰু বাকী দুজনৰ বংশক পিছত গড়গঞা সন্দিকৈ খেলত তুলি ল'লে।

টিপামত তিনিবছৰ থাকি চাওলুং চ্যুকাফাই বুঢ়ীদিহিঙে ভটিয়াই আহি মুঙ-কাং-চে-খ্ৰু বা অভয়পুৰ পালেহি। ইয়াত তেওঁ লাক-নি খুট-ছি-ঙা, ৰুং-মুত, তাও-চান, কা-ৰাও আৰু কাপ-মিত এই পাঁচ বছৰ থাকিল। তাত তেওঁ পাঁচটা খেতি কৰিলে। ইয়াতো সুবিধাজনক নেদেখি চ্যুকাফাই তাৰ পৰা শলগুৰিলৈ আহিল। এই দুয়ো ঠাই ঘন জংঘলেৰে ভৰা আছিল। পিছত চ্যুকাফাই শলগুৰিৰ পৰা কিছু ভটিয়াই আহি নাম-টি-লাও (ব্ৰহ্মপুত্ৰ নদী) পাই তাৰেও ভটিয়াই কিছুদূৰ আহি হাবুং পালেহি। হেউ-বুঙৰ পৰা হাবুং হৈছে। আহোম ভাষাত হেউ-ৰ অৰ্থ নৈৰ টিকা আৰু বুং-ৰ অৰ্থ চাপৰ। সম্ভৱ বুঢ়ীদিহিং আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ অঞ্চলটোৱেই হাবুং আছিল। হাবুং অঞ্চলত চাওলুং চ্যুকাফাই ডাপ-কেও, ৰাই-চেউ আৰু মুঙ-প্লাও এই তিনি বছৰ থাকি তিনিটা খেতি কৰিলে। এই ঠাইখনতো দিহিং আৰু লুইতৰ বানপানীৰ বেছি প্ৰভাৱ পৰা দেখি চাওলুং চ্যুকাফাই হাবুং এৰি দিহিঙে ভটিয়াই গ'ল আৰু দিখৌমুখ পালেগৈ। পিছত তেওঁ দিখৌ নৈয়েদি উজাই আহি দিলিহ নৈৰ মুখ পালেহি। সেই সময়ত তাইসকলে দিখৌক খে-নাম-চাউ আৰু দিলিহ নৈক খে-নাম-খুন বুলিছিল। তাই আহোম ভাষাত খে- নৈ, নাম-ৰ অৰ্থ পানী, চাউ-ৰ অৰ্থ নিৰ্মল আৰু খুন-ৰ অৰ্থ বোকা। সেই সময়ত দিখৌ নৈখন দিহিং নৈতহে পৰিছিল। বোকা পানী দেখি তেওঁ দিলিহ নৈয়েদি নগৈ দিখৌয়েদি উজাই আহিল। উজাই আহি নাম-দাং নৈৰ মুখ পালেহি। কিন্তু ইয়াত বহুতো মানুহৰ পানী খোৱা ঘাট দেখি আকৌ দিখৌয়েদি উজাই আহিল।

চাওলুং চ্যুকাফাই দিখৌয়েদি উজাই মুঙ-ৰুই মুঙ-চেন (চৰ্ণ্টক, শিলপানী) পালেগৈ। তাত দিখৌ নৈৰ পানী জুখি চাই দুই তোলা অধিক গধূৰ পাই ঠাইৰ নাম চাম-তক দিলে। তাত লাক-নি প্লেক-ঙ্গি আৰু কাত-মাও এই দুই বছৰ থাকি তা-খুন-থ্ৰিঙউ শাসনকৰ্তা পাতি পুনৰ দিখৌয়েদি ভটিয়াই আহিল। ভটিয়াই আহি খেন-তুন-থ্ৰিঙউ (শিমলুগুৰি) পালেহি। ইয়াত খুত-চি বছৰৰ পৰা ডাপ-ৰাও বছৰলৈকে ছয়বছৰ থাকিল। ইয়াত ছটা খেতি কৰিলে কুকুৰা-গাহৰি কিনাৰ চলেৰে ওচৰৰ বাসিন্দা মৰান আৰু বৰাহীসকলৰ লগত প্ৰীতিৰ ভাৱ গঢ়ি তুলিলে। চ্যুকাফাই বৰাহী ৰজালৈ মানুহ পঠাই কোৱালে বোলে- 'আমি দেখা-দেখি হওঁ আহহঁক। আমি উজনিৰ ৰাজ্যৰ পৰা আহিছো, আমাৰে মিত্ৰ হ'ব লাগে। তহঁত হৈছ থানগিৰী, আমি আলহী, আমাক খাবলৈ গাঁও-ভুই দিব লাগে।' পিছত বৰাহী ৰজাই চ্যুকাফাক লগ কৰি ক'লে বোলে- 'মোক থামিথুমা বোলে, থাকুমথা বুলিও কয়। মই বৰাহীৰে, মৰানৰে অধিকাৰী, মোৰ লখাই বিলৰ ওচৰত ঘৰ।' তেতিয়া স্বৰ্গদেৱে ক'লে বোলে- 'আমি ক'ত থাকিবলৈ ভাল, থামিথুমাই বোলে আমাৰ য'ত দেওঘৰ আছে তাতে থাকিবলৈ ভাল।'

তেতিয়া লাক-নি মুঙ-কাও (১২৫৩ চন) বছৰত শিমলুগুৰিৰ পূৰ্বে চৰাইদেউ পাহাৰত থকা বৰাহীৰ দেওঘৰৰ ওচৰত ন-ভাত খাই নগৰ কৰি নতুন ৰাজধানী পাতিলে। নতুন ঠাইৰ নাম চে-তাম- ডয় চে-লুং চে-খাম দিলে। এইখন নগৰৰ নামেই পিছলৈ চে-ৰাই-ডয় বা চৰাইদেউ ৰূপে জনাজাত হ'ল। চাওলুং চ্যুকাফাই দক্ষিণ চীনৰ মাও-লুং ৰাজ্য ১২১৫ চনত এৰি অহা সুদীৰ্ঘ ৩৮ বছৰ কণ্টকময় পৰ্বত-পাহাৰ অতিক্ৰমি, জংগী আৰু দয়া-মমতা নথকা পাহাৰীয়া জাতিৰ গাঁওবিলাক কঠোৰ হাতেৰে জয় কৰি মুং-ডুন-চুন-খামৰ সাৰুৱা সমতলভূমিৰ চৰাইদেউত ১২৫৩ চনত ৰাজধানী পাতি সুদীৰ্ঘ ছশ বছৰীয়া গৌৰৱময় আহোম ৰাজ্যৰ পাতনি মেলিলে। এইজন প্ৰবাদ প্ৰতীম পুৰুষ কেৱল আহোম সকলৰেই নহয় অসমৰ সকলো অসমীয়াৰে পিতৃ পুৰুষ। এইজন স্বৰ্গদেৱে ১২৫৩ চনত পূবে নিমনাগড়ৰ পৰা পশ্চিমে ৰাজগড় আৰু দক্ষিণে লাদৈ গড়লৈকে প্ৰায় ১২ বৰ্গমাইল এলেকাৰ ভিতৰত থকা বৰাহী-মৰান সকলক ভিতৰ কৰি যিখন আহোম ৰাজ্যৰ লাইখুঁটা পুতিছিল সেইখন ৰাজ্য ১৮২৬ চনলৈকে সঞ্চালনিকৈ চলি থাকি বৃহত্তৰ অসমীয়া সমাজ, অসমীয়া ভাষা আৰু অসমীয়া জাতি গঢ় দি গ'ল। -ঃঃঃ-

# Higher Education in Charaideo District

which had its establishment in 1991, occupies a distinctive position as the only hub of commerce education in the district. Mr Jibendra Kumar Saikia rendered his selfless services with a strong and motivating spirit of commitment as the founder principal. Dr Bipul Dey, the present principal of the college, makes all possible efforts to better the college. Then we have Sapekhati College which was set up in 1988 under the zealous principalship of Late Kamal Gogoi. The present Principal of the college is Dr Hemanta Kumar Barua who undertakes all effective measures to serve the society by upgrading it. The year 1995 witnessed the establishment of Borhat B P B Memorial College at Borhat under the inspiring principalship of Late Mahendra Narayan Borgohain. The institution grew into fullness under the outstanding stewardship of Dr Promod Borgohain who is the present principal of the college.

Moran College, established at Moranhat in 1964, earns the distinction of becoming the oldest college in the district. Late Ghana Kanta Gogoi, the founder Principal, spearheaded the institution with his visionary leadership. Dr Mitali Konwar is the present Principal of the college. Another college located at Moranhat is Moran Mahila Mahavidyalaya which was founded in 1992 with Dr Sukha Baruah as its founder Principal. It holds a unique position as the only institution in the district exclusively for education of women. Mrs Jayshree Phukan, the present principal, leads the college with her enthusiastic spirit and grit in the desired direction.

Finally, Patsaku College is the only college in the district which awaits provincialization. It was established in 1994 with a vision of giving quality education to the poor and disadvantaged students. The person who served faithfully as the founder principal was Late Bhubaneswar Handique and the present principal is Mrs Sarala Mohan who guides the college to the satisfaction of all concerned. The college received permission from Dibrugarh University in 1995.

In addition to the regular undergraduate programmes, all the afore-mentioned colleges have study centers of open and distance learning for both Undergraduate and Post-Graduate programmes in different disciplines under Dibrugarh University and Krishna Kanta Handique State Open University. It is worth-mentioning here that all these colleges were established on the initiatives of some committed persons of the concerned localities assisted and supported by the general public. Hundreds of students become graduates from these colleges every year and serve the society in their own ways.

# ৰহস্যবাদৰ তাত্ত্বিক দিশ আৰু গীতিকবিৰ কবিতাত ইয়াৰ প্ৰতিফলন

ড০ ৰঘুনাথ কাগয়ুং

অসমীয়া কাব্য-জগত মিষ্টিক(Mystic) ভাৱৰ চৰণীয়া পথাৰ। প্ৰাক্ শংকৰী যুগৰ কবিসকলৰ হাতত প্ৰোথিত মিষ্টিচিজ্‌মে(Mysticism) শংকৰী যুগত পোখা মেলে আৰু ৰোমান্তিক যুগত ফুলে-ফলে ৰমক-জমক হয়। ক'লে হয়তো দোষে চুব- ৰোমান্তিক যুগত অসমীয়া কবিতাই যিমান পাঠকৰ কাষ চাপিবলৈ সক্ষম হৈছিল কোনো যুগতে অসমীয়া কবিতাই পাঠকৰ ইমান কাষ চাপিব পৰা নাই। মন কৰিবলগীয়া দিশ এয়ে যে, ৰোমান্তিক যুগৰ অসমীয় কবিতাই পাঠকৰ অধিক আকৰ্ষণ আদায় কৰাৰ প্ৰধান ভিত্তিসমূহৰ ভিতৰত সেই কবিতাবোৰত প্ৰকাশ পোৱা ৰহস্যবাদ বা অতীন্দ্ৰীয়বাদো আছিল অন্যতম।

আধ্যাত্মিক ভাবনাৰ পৰাই উদ্ভৱ হয় ৰহস্যবাদৰ চিন্তা। চিৰসুন্দৰ বা পৰমব্ৰহ্মাৰ মুখামুখি বা মিলনাকাংক্ষাই হৈছে ভাৰতীয় আধ্যাত্মিক ভাবনাৰ মূল লক্ষ্য। ভাৰতীয় আধ্যাত্মিক ভাবনাত পৰমব্ৰহ্মাক বিভিন্ন ৰূপত কল্পনা কৰা দেখা যায় - সচ্চিদানন্দ, পৰমানন্দ, আনন্দ, মহানন্দ, সুন্দৰ, চিৰ সুন্দৰ, অনাদি, অনন্ত ইত্যাদি।পৰমব্ৰহ্ম বা চিৰ সুন্দৰৰ স'তে মিলনাকাংক্ষাই হৈছে ভাৰতীয় আধ্যাত্মবাদৰ মূলবস্তু। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ ৰহস্যবাদৰ অন্তৰালতো মূলতঃ নিহিত হৈ আছে ভাৰতীয় আধ্যাত্মিক চিন্তা-চেতনাৰ প্ৰতিধ্বনি। আচলতে ভাৰতীয় আধ্যাত্মিক ভাবনাৰে প্ৰভাবপুষ্ট পাৰ্বতিপ্ৰসাদৰ ৰহস্যবাদ। কবিয়ে সন্ধান কৰে এক অদৃশ্য জগতৰ। কবিৰ এই অদৃশ্য জগতৰ অহৰহ সন্ধানেই গীতি-কবি হিচাপে পাৰ্বতিপ্ৰসাদ প্ৰখ্যাত হোৱাৰ মূল কাৰণ বুলি বহুতে আঙুলিয়াব খোজে।

প্ৰায় সমালোচকেই পাৰ্বতিপ্ৰসাদক সৌন্দৰ্যৰ কবি আখ্যা দিব বিচাৰে। কিন্তু, এই সৌন্দৰ্য সৃষ্টিৰ অন্তৰালতো 'অধিকতৰ ইন্দ্ৰিয়জ আৰু মিষ্টিক তৃপ্তিসুধাৰে আত্মিক আনন্দলাভৰ বাসনা পাৰ্বতিপ্ৰসাদৰ প্ৰকৃতি বিষয়ক কবিতাসমূহত বিদ্যমান। পাৰ্বতিপ্ৰসাদৰ কবিতা যথাৰ্থই ৰহস্যবাদৰ নিটোল প্ৰকাশ। পাৰ্বতিপ্ৰসাদৰ কবিতাবোৰত ৰহস্যবাদী ভাবনাৰ ভিন্ন ৰূপ-তৰংগ বিভিন্ন ৰূপত কল্লোলিত হৈ উঠিছে। পাৰ্বতিপ্ৰসাদৰ কবিতাত ৰহস্যবাদী ভাবনাৰ ভিন্ন ৰূপৰ প্ৰকাশ এনেদৰে দেখুৱাব পৰা যায় ঃ ক) ইন্দ্ৰিয়াতীত ভাবানুভূতিৰে চিৰ সুন্দৰৰ ৰূপৰ ধাৰণা, (খ) পৰমব্ৰহ্মাৰ অপৰূপ ৰূপ-তৃষা আকণ্ঠ পান কৰাৰ ইচ্ছা, (গ) চিৰ সুন্দৰৰ চিৰ ৰহস্যৰ ৰূপ নিৰ্ণয়ৰ কামনা, ঘ) চিৰ সুন্দৰৰ দৰ্শন তথা মিলনাকাংক্ষাৰ তীব্ৰতা, ঙ) চিৰ সুন্দৰৰ স'তে কবিৰ মিলন, চ) চিৰ সুন্দৰৰ স'তে মিলন মুহূৰ্তৰ অভিজ্ঞতা আৰু মিলনৰ পাছৰ বিভিন্ন অভিজ্ঞতাৰ প্ৰকাশ আৰু ছ) মিলনৰ পৰৱৰ্তী সিদ্ধি লাভৰ ভিন্ন অভিজ্ঞতা।

পাৰ্বতিপ্ৰসাদৰ বিভিন্ন কবিতাত এই দিশবোৰে এনেভাৱে প্ৰকাশ আৰু বিকাশ লাভ কৰিছে যে - এই দিশৰ পৰা চালে পাৰ্বতিপ্ৰসাদক মূলতঃ ৰহস্যবাদী কবি বুলিহে আখ্যা দিব পৰা যায়। কাৰণ, ভাৰতীয় ৰহস্যবাদী দৰ্শনৰ প্ৰায়বিলাক দিশেই পাৰ্বতিপ্ৰসাদৰ কবিতাত সুন্দৰ আৰু আবেদনময়ী ৰূপত বিকশিত আৰু প্ৰস্ফুটিত হৈ উঠিছে।

পাৰ্বতিপ্ৰসাদ বৰুৱাৰ কবিতাত ৰমন্যাসবাদী চিন্তা-চেতনাৰ অনেক বৈশিষ্ট্য দেখা পোৱা যায় যদিও ৰহস্যবাদী ভাৱনা(Mysticism)ৰ প্ৰকাশেই সবাতোকৈ শক্তিশালী। ৰহস্যবাদ বা অতীন্দ্ৰিয়বাদৰ প্ৰকাশেই পাৰ্বতিপ্ৰসাদ বৰুৱাৰ কবিতাৰ প্ৰধান সুৰ। পাৰ্বতিপ্ৰসাদৰ ৰহস্যবাদী ভাবনাৰ কবিতাবোৰ তেওঁৰ বৈচিত্ৰ্যপূৰ্ণ কবি-জীৱনৰ উল্লেখযোগ্য মাত্ৰা। পাৰ্বতিপ্ৰসাদ ৰচিত কবিতা, গীত আৰু গীতি-নাটিকা - আটাইবোৰ ৰচনাতে তেওঁৰ ৰহস্যবাদী ভাবালুতা প্ৰকাশ পাইছে।

মিষ্টিচিজ্‌ম বা ৰহস্যবাদৰ প্ৰকাশ পাৰ্বতিপ্ৰসাদ বৰুৱাৰ কাব্যৰ প্ৰধান সুৰ। 'ময়াপী', 'মৌ টোকাৰী', 'খেল ভঙা খেল' আৰু 'ভঙা টোকাৰীৰ সুৰ' গীতি-কাব্য পুথিসমূহত মিষ্টিচিজ্‌মৰ প্ৰকাশ অনন্য আৰু অনুপম। 'ময়াপী'ত চিৰ সুন্দৰৰ অন্বেষণ, 'মৌ টোকাৰী'ত পৰমাত্মাৰ দৰ্শন প্ৰাপ্তি আৰু 'খেল ভঙা খেল'ত পৰমব্ৰহ্মাৰ প্ৰকৃত ৰূপৰ উপলব্ধিৰ ভাবালুতাৰে সমৃদ্ধ।

'মৌ-টোকাৰী'ত 'ব্ৰহ্মোপলব্ধি'ৰ সীমনাত উপনীত হোৱা কবিয়ে 'ভঙা টোকাৰীৰ সুৰ'ত মুখা-মুখি হৈছে সেই সীমনাৰ বিচিত্ৰ্য অভিজ্ঞতাৰ। চিৰ সুন্দৰৰ স'তে কবিৰ মিলন, চিৰ সুন্দৰৰ স'তে মিলনৰ ভিন্ন ৰঙী মুহূৰ্ত আৰু মিলন তথা মিলনোত্তৰ অভিজ্ঞতাৰ প্ৰকাশেই 'ভঙা টোকাৰীৰ সুৰ'ৰ ৰহস্যবাদী ভাবৰ মূল কথা।

অধীৰ আগ্ৰহেৰে মৃত্যুৰ সেই শুভক্ষণটোলৈ পাৰ্বতিপ্ৰসাদেও বাট চাই আছে। মৃত্যু এক নৈ; এই নৈ পাৰ হৈ সিপাৰৰ ঘাটত আশ্ৰয় ল'ব পাৰিলেই কবিয়ে পৰমজনক লগ পাম বুলি ভাবিছে। পৰমব্ৰহ্ম ভগৱানক সিপাৰত লগ পোৱাৰ আনন্দত কবিৰ মন থৌকি-বাথৌ লাগিছে।

নিজকে মায়াচ্ছন্ন জীৱৰ ৰূপত আৱিষ্কাৰ কৰিছে পাৰ্বতিপ্ৰসাদে । ভগৱানে কবিৰ ওচৰলৈ আহি বাৰে বাৰে ধৰা দিব বিচাৰিছে। কবিয়েও ভগৱানৰ সান্নিধ্য পাবৰ বাবে বহু দিন অপেক্ষা কৰি আছে। ভগৱানক পাবৰ বাবে কবিয়ে বহু দিন ধৰি সাধনা কৰি আছেজ্ প্ৰাৰ্থনা কৰি আছে। ভগৱানক লগ পালে কবিয়ে মনৰ কোণত জমা হৈ থকা অনেক কথাই কম বুলিও ভাবি থৈছে। আনকি ভগৱানেই যে একমাত্ৰ সত্য, বাকী আটাইবোৰেই ভুল- সেয়াও কবিয়ে ভালদৰে জানে। কবিৰ কিন্তু এটাই দোষ- কবিয়ে ভগৱানক চিনি নাপায়। মনৰ মাজতে ভগৱানৰ ৰূপ-কল্পনা কৰাৰ পিছতো ভগৱানক সমুখত পালে চিনি নোপোৱা হয়। কবিয়ে অন্ধলাৰ ৰূপত নিজকে তুলনা কৰিছে। কাৰণ, ভগৱানে বহুবাৰ কবিৰ ওচৰলৈ আহিও ঘূৰি গৈছে কিন্তু কবিয়ে এবাৰো ভগৱানক চিনি নাপালে। ইয়াৰ মূলতে হ'ল কবি মায়াত আচ্ছন্ন হৈ আছে। মায়াত আচ্ছন্ন হৈ থাকিলে 'বস্তুক অবস্তু যেন' দেখে; 'সত্যক অসত্য' যেন দেখে।

কবিয়ে চকুপানীক পৰম পবিত্ৰ বুলি ভাবে। চকুপানী আৰু দুখৰ উপলব্ধিৰ মাজেদিয়ে পৰমব্ৰহ্মাৰ উপলব্ধি সম্ভৱ। "অন্তৰৰ যত মলিয়ন চেকা /চকুলোৰে ধুই ল'ম নিকা" বুলি ভবা কবিয়ে তেওঁৰ পবিত্ৰ হিয়াখনক 'পূজাৰ ফুল' হিচাপে গণ্য কৰিছে আৰু এই পবিত্ৰ ফুলপাহ ভগৱানৰ নৈবেদ্য হিচাপে অৰ্পন কৰিম বুলি প্ৰকাশ কৰিছে। দুখ আৰু চকুপানীক চিৰ লগৰী বুলি ভবা মানুহৰ ভগৱৎ প্ৰীতি গভীৰ আৰু পৱিত্ৰ; 'এইনো অগনি (দুখ, চকুপানী) অতিকৈ বিশুধ' বুলি ভবা কবিয়ে "গংগাজলতকৈ শুচি" বুলি চকুলোক ক'ব বিচাৰিছে -

"চকুপানী টুপি চকুতে থাকক
নেলাগে পেলাব মচি,
চকুলো যে মোৰ পৰম পৱিত্ৰ
গংগা জলতকৈ শুচি।"
(চকুপানী)

পৰমজনৰ সান্নিধ্য যেতিয়াই মিলিব তেতিয়াই কবিৰ চকুপানী নাইকীয়া হ'ব বুলি ভবা কবিয়ে সেইদিনাই পৰমব্ৰহ্মাৰ 'প্ৰেমৰ মউ ৰসেৰে জীৱন পূৰ হ'ব' বুলি ভাবে। পৰমব্ৰহ্মাৰ স'তে মিলন হোৱাৰ দিনাই বুকু কাটি ফুৰা অতদিনৰ বেদনা আৰু ধ্যান-সাধনা সফল হ'ব আৰু সিদিনাহে উমি উমি জ্বলি থকা কবিৰ উতলা হৃদয় শীতল হ'ব -

"সেই দিনা মোৰ বুকুৰ বেদনা
সকলো মোৰ ধিয়ান সাধনা
নিমিষতেই সফল হ'ব,
শীতল হ'ব প্ৰাণ।"
(চকুপানীৰ বান)

কবিৰ চকুপানী, দুখ, হা-হুমুনিয়াহ, বেদনা-বিননিৰ মূলতে ভগৱান। ভগৱানৰ সুৰতে বন্ধা আছে কবিৰ এই 'বেথাৰ বিননি।' কবিৰ দুখ-বিননিৰ কথা যেতিয়া ভগৱানে উপলব্ধি কৰিব, সিদিনাই কবিৰ জীৱন সাৰ্থক হ'ব ।

-ঃঃঃ-

# বুঢ়াটোৱে ক'লৈ...

মণিকা দেৱী

বুঢ়াটোৱে ক'লে- ব'ল বুঢ়ী, একেলগে মৰিবলৈ যাওঁ। পুৱাই উঠি চোতাল সৰাত ধৰিছিল বুঢ়ীয়ে। দিনৰ দিনটো কাম-কাজৰ পৰা বুঢ়ীৰ আহৰি নাই। ইখন বন শেষ হ'ল কি নহ'ল, সিখনত ধৰাত পলমেই হ'ল। বয়সে ভাটি দিয়া দেহাৰেই ডেকেৰীৰ দৰে ঘৰৰ কাম সামৰিব লাগে। এখন্তেক ৰোৱাৰো সময় নাই। তথাপি বুঢ়ীয়ে বুঢ়াৰ মুখলৈ চাই এখন্তেক তভক মাৰি ৰ'ল। বুঢ়াইনো কি ক'লৈ এইবাৰ কথা। আজি দেখোন পুৱাতেই উঠিল বুঢ়া, ৰ'লহি বুঢ়ীৰ কাষত।

মুখলৈ চাই আছ কিয়। ল'ৰাহঁতৰ কেটেৰ-জেঙেৰখন খাই থকাতকৈ মৰি আজৰি হোৱাই ভাল। মৰ মৰ বুলিতো শাও-শপনি পাৰিয়ে থাকে। সিহঁত কত চিন্তা-ভাবনাত থাকে, কিবা খঙত কিবা এটা কয় আৰু কেতিয়াবা। সেইবুলিয়েই মৰিবলৈ যামনে। মানুহে কি ক'ব।

দুয়ো হাতেদি বন আঁজুৰি আছ দেখিহে। নহ'লে মাৰিয়েই পেলালে হয় ইহঁতে। দেহা যেতিয়া নচলা হ'ব, তেতিয়া কোনে চাব বুঢ়ী, কোন মানুহে চাবহি তোক। দেহাটো ভালে থাকোঁতেই, খোজকাঢ়িব পৰা হৈ থাকোঁতেই মৰি আহোঁগৈ ব'ল। য'ৰে বাঢ়নী ত'তে এৰিলে বুঢ়ীয়ে। হয়ো হয়। দেহা পৰি আহিছে এতিয়া। শেষ কালত কোনে চাব বুঢ়া-বুঢ়ীক। লেলাট ভুঞ্জি মৰাতকৈ বুঢ়াৰ কথা শুনাই ভাল। জীৱনটোতো বুঢ়াৰ কথা শুনিয়েই পাৰ কৰিলে। এতিয়া শেষ সময়ৰ শেষ কথাখিনিও বুঢ়াৰ মতেই হওক। - বুঢ়ীয়ে ভাবিলে আৰু বুঢ়াৰ লগত যাবলৈ ওলাল।

হেহ এনেকৈ যাবি নেকি। কাপোৰ সাজ সলাই ল'। তেতিয়াহে। নহ'লে মানুহে কি বুলি ভাবিব।

মৰিবলৈহে যাম। সাজোন-কাচোন কেলেই। -সোধোঁ-নোসোধোঁকৈ সুধিলে বুঢ়ীয়ে।

মৰিবলৈ যাম বুলি ঢোল কোবাই গ'লে মানুহমখাই মৰিবলৈকো শান্তি নিদিব। কোনোবাই সুধিলে আলহী খাবলৈ যাম বুলি ক'বি। যা, কাপোৰ সাজ সলাই আহগৈ।

সুসুৰ্কে বুঢ়ী ঘৰৰ ভিতৰলৈ সোমাই গ'ল আৰু সামৰণ কাপোৰ এসাজ উলিয়াই গাত মেৰিয়াই ল'লে।

কাকো একো নোকোৱাকৈ বুঢ়া-বুঢ়ী দুয়ো ঘৰৰ বাজ হ'ল। পদূলিয়েদি ওলাই নগ'ল পিছে। বুঢ়াই বাৰীৰ বাটহে ধৰিলে।

বাৰীখনৰ গভীৰলৈ যাবলৈ বুঢ়ীয়ে মন নকৰে। সেইপিনলৈ নাচায়েই বুঢ়ীয়ে। বুকুখন হমহমাই উঠে। বুঢ়ীৰ ছোৱালীজনীক তাতে শুৱাই থোৱা নাই জানো।

ছোৱালীজনী জীয়াই থকা হ'লে বিয়াবাৰু হৈ গ'ল হয় এতিয়ালৈ। ল'ৰা-ছোৱালীৰে ঘৰ ভৰি থাকিল হয় জীয়েকৰ। তায়েইতো ডাঙৰ আছিল সকলোতকৈ। বুঢ়া-বুঢ়ীৰ প্ৰথম সন্তান আছিল তাই।

বুঢ়াই বুকুত লোটা দলিয়াই মাৰিছিল জীয়েকক। সেইদিনা বুঢ়ী পাগৰ বাজ। জীয়েকে ভাত বাঢ়ি দিছিল বুঢ়াক।

পীৰা পাৰি দিলে, লোটাটোও থ'লে কাষত, লোটাত পানী দিবলৈহে পাহৰিলে বেচেৰীয়ে। বয়সনো কিমান আছিল তাইৰ। দহ-বাৰ বছৰীয়াহে। তোলনিয়েই হোৱা নাছিল তাইৰ। বুঢ়াই শুদা লোটাটোকে মাৰি পঠিয়ালে তাইলৈ। লোটা গৈ বুকুত লাগিল। চকুৰ আগতে শেষ হৈ গ'ল সকলো। তথাপি বুঢ়াৰ পৰিতাপ নাই, নাই সন্তাপ। মেকুৰীলৈ মৰা লোটাটো কেনেকৈনো তাইৰ বুকুত লাগিলগৈ।

কেতিয়ানো সোমাই আহিল তাই, ধৰিবই নোৱাৰিলোঁ। -এইবুলি কান্দি কান্দিয়েই বুঢ়া সাৰি আহিল পুলিচ, জজৰ হাতোৰাৰ পৰা।

বুঢ়াই ৰেহাই পালে। চকুপানীও শুকাল। বিয়াৰ খৰচটো ৰেহাই হ'ল দে- দুদিন পাছতে বুঢ়াৰ মুখত ফুটিল সেইযাৰ কথা।

শুই থাক আইজনী, তাতেই শুই থাক শান্তিৰে ঘৰখনতো অশান্তিৰ অন্ত নাই। বুঢ়ীয়ে তেনেকৈয়ে মনক বুজায়। কিন্তু বাৰীখনৰ মাজলৈ যাবলৈ সত নাযায় বুঢ়ীৰ। সেই চতিয়নাজোপাৰ তলৰ ঠাইখিনি চাবলৈ সত নাযায় কোনোপধ্যে। বুঢ়াই পিছে সেইপিনেৰেই দেখোন বুলিলে বাট।

বহুদিনৰ মূৰত চতিয়না তলৰ মাটিখিনি দেখি বুঢ়ীৰ চকুপানী ওলাল। বুঢ়ীৰ খোজ লেহেমীয়া হৈ আহিল। আগলৈ আগ নবঢ়া হ'ল ভৰি। গাহৰি লতাই ছানি ধৰিছে গোটেইখন। মাটিৰ সৰু ঢিপটোৰ চিন-মোকামেই নাই।

চতিয়নাজোপাৰ তলত বহি পৰিল বুঢ়ী। লতা-বন গুচাই চাই যাব জীয়েক শুই থকা ঠাইখিনি শেষবাৰৰ বাবে।

আগে আগে গৈ থকা বুঢ়াই পিছপিনে উভতি চালে। বুঢ়ী ক'ত, বুঢ়ীৰচোন সাৰি-সিকতি, ৰাই-কই নাই।

মাজবাৰী এয়া। বাট বুলিতো চিধা পোন বাট এটা নাই। দ'মৈ দ'মৈ পৰি ৰোৱা সৰাপাতবোৰ গচকি, বন-লতাৰ মেৰপেঁচ গুচাই, কেতিয়াবা গছৰ ডাল- কলি ভাঙি, দেং মেলি, হেপা মেলি বুঢ়াই নিজেই উলিয়াই লৈছে বাট। সেই বাটৰ চিনে চিনে বুঢ়ী আহি থকাৰ কথা। বুঢ়ীৰ খোজৰ খচ্ খচ্শব্দ বুঢ়াই শুনি থকাৰ কথা। এই অলপ আগলৈকেতো শুনিয়েই আছিল।

বাৰীখনলৈ চাই চাই বুঢ়াৰ মনটো ভাৰাক্ৰান্ত হৈ উঠিছিল। এই গেজেপনি লগা কাঠ-বাঁহবোৰ এৰি থৈ যাব লাগিব আজি। এৰি যাব লাগিব মাটি- বাৰী, সোপাকে সম্পত্তি। তাকে ভাবি ভাবি বুঢ়া অন্যমনস্ক হৈ পৰিছিল। তাৰেই সুবিধা ল'লৈ নেকি বুঢ়ীয়ে। বুঢ়াক মৰিবলৈ আগুৱাই দি বুঢ়ী নিজে ৰৈ গ'ল এই ভোগৰ দুনিয়াত। একো ঠিক নাই, একো ঠিক নাই, তিৰী জাতিৰ কোনো সঞ্জাত নাই।

উভতি চাই বুঢ়াই দেখিলে চতিয়নাজোপাৰ তলত বহি আছে বুঢ়ী।

বুঢ়ীয়ে হ'ব পায় সৰুপানী চুইছে- বুঢ়াই ভাবিলে। বুঢ়াৰো ইচ্ছাটোৱে উক দি উঠিল। তলপেটত টনটননি ধৰিলে। মুতি-মেলি আজৰি হৈ যোৱাই ভাল- এনেকৈ ভাবি চতিয়নাজোপাৰ কাষ চাপি গ'ল বঢ়া। মুতিবৰ বাবে এইখিনিয়েই উপযুক্ত ঠাই। বুঢ়ীয়ে সেয়া অলপ ঠাই চাফা কৰিলেই।

বুঢ়া উভতি অহা দেখি বুঢ়ীৰ মনত আশা জাগি উঠিল- জীৱনৰ শেষ আশা। ছোৱালীজনীলৈ মনত পৰিল হ'বলা বুঢ়াৰ। শেষৰ দিনাখন হ'লেও পৰিল যে মনত!

পিছে এয়া দেখোন ধুতীখন কোঁচাইহে বহিল বুঢ়া। কি কৰে, কি কৰে ইয়াত- বুঢ়ীয়ে টোৱাই গৈ বুঢ়াক ঠেলা মাৰি পেলাই দিলে।

বুঢ়াৰ মূৰটো গৰম হৈ গ'ল। জীৱনত প্ৰথমবাৰৰ বাবে বুঢ়ীয়ে বুঢ়াৰ কামত বাধা দিলেহি। বাধাতো দিলেই, ঠেলা মাৰি পেলায়ো দিলেহি। ইমান সাহ, ইমান সাহ বুঢ়ীৰ। খঙৰ চাপ, পেছাবৰ চাপ- ইমান চাপ বুঢ়াই নিয়ন্ত্ৰণ কৰে কেনেকৈ।

বুঢ়ীয়েও নিয়ন্ত্ৰণ কৰিব পৰা নাই ধাৰাসাৰ চকুপানীৰ স্ৰোত।

ইয়াতে আমাৰ আইজনী শুই আছে- বুঢ়ীয়ে থোকাথুকি মাতেৰে কোৱা কথাষাৰত বুঢ়াৰ হুঁচ ঘূৰি আহিল। অ'- এইখিনিয়েই পিছে সেইখিনি ঠাই। তথাপি বুঢ়াই হাৰ নামানিলে। নমনীয় নহ'ল বুঢ়াৰ কথা- তাতে কি হ'ল। সেইবুলিয়েই তই মোক ঠেলা মাৰি দিবিনে? আজি শেষৰ দিনা মোৰ গাত হাত দিলি তই। নৰকলৈ নেযামনে মই। পাপত নুবুৰিমনে মই বুঢ়ী? মানুহে দেখিলে কি বুলিলে হয়। বুঢ়াই ফোৰোহনি মাৰি উঠিল- মই খোপনি পুতিলোঁ বুলিহে। উস্ উস্- কঁকালখন দুছেও হ'ল হয় আজি মোৰ। চাল্লী, পাপিষ্ঠনী, জহনীত যাইতী বুঢ়ী- গালি-শপনি পাৰি পাৰি বুঢ়া পৰাৰ পৰা উঠিল আৰু বুঢ়ীক খকৰা মুকুতি এটা শোধালে।

মুতিবৰ বাবে অইন ঠাই এটুকুৰা বাছি ল'লৈগৈ বুঢ়াই- ইয়াতো আছে নেকি তোৰ কোনোবা পৈয়েৰৰ

ষষ্ঠ পৃষ্ঠাত চাওক...

*প্ৰথম পৃষ্ঠাৰপৰা ...*

# অসমৰ নিৰ্বাচনী ৰাজনৈতিক মানচিত্ৰত চৰাইদেউ জিলা

১০৬ নং সোণাৰি বিধানসভা সমষ্টি অবিভক্ত শিৱসাগৰ জিলাৰ চৰাইদেউ মহকুমাৰ এটা অন্যতম গুৰুত্বপূৰ্ণ সমষ্টি। সম্প্ৰতি নৱগঠিত চৰাইদেউ জিলাই অবিভক্ত শিৱসাগৰ জিলাৰ চৰাইদেউ মহকুমাৰ সোণৰি আৰু মাহমৰা সমষ্টিক সাঙোৰি লৈছে। প্ৰয়াত পূৰ্ণানন্দ চেতিয়াই কংগ্ৰেছ দলৰ সদস্য হিচাপে স্বাধীনোত্ত কালৰ প্ৰথম আৰু দ্বিতীয়টো নিৰ্বাচনত ক্ৰমে ১৯৫২আৰু ১৯৫৭ চনত একেৰাহে দুটা কাৰ্যকালৰ কাৰণে সোণাৰি বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছিল। তেওঁ একান্ত নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰাইজৰ কাৰণে সেৱা আগবঢ়াব পাৰিছিল আৰু যাৰ বাবে সোণাৰি সমষ্টিৰ ৰাইজেও তেওঁক আস্থাত ল'ব পাৰিছিল। ১৯৬২ চনত অনুষ্ঠিত তৃতীয়টো নিৰ্বাচনত অসমৰ তৃতীয়জন মুখ্যমন্ত্ৰী (১৯৫৭-১৯৭০) বিমলা প্ৰসাদ চলিহাই জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে সোণাৰি বিধানসভা সমষ্টিৰ নিৰ্বাচিত হৈছিল। ১৯৬৭ চনৰ চতুৰ্থ বিধানসভা নিৰ্বাচনটো চলিহা ডাঙৰীয়া পুনৰ এই সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল। এজন সফল মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি সমগ্ৰ অসমৰ ৰাজনৈতিক মানচিত্ৰত সোণাৰিক উজ্বলাই তুলিছিল। প্ৰয়াত বিমলা প্ৰসাদ চলিহাদেৱে সুদীৰ্ঘ তেৰবছৰ কাল অসমৰ তৃতীয়জন মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। এই খিনিতে মন কৰিবলগীয়া কথা এয়ে যে ভাৰতীয় ৰাজনীতিৰ পৰা জাতীয় কংগ্ৰেছৰ আধিপত্য চতুৰ্থটো সাধাৰণ নিৰ্বাচনৰ পৰাই ক্ৰমশ দুৰ্বল হৈ আহিবলৈ ধৰে। দেশৰ ভিন্ন প্ৰান্তত অনাকংগ্ৰেছী আঞ্চলিকতাবাদী আৰু ৰাষ্ট্ৰীয় শক্তিসমূহে শক্তিশালীৰূপত আত্মপ্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছিল। অসমো এই ক্ষেত্ৰত পিছপৰি থকা নাছিল। উল্লেখযোগ্য যে ১৯৭০ চনৰ ৩০ নৱেম্বৰ দিনা সুকীয়া আহোম ৰাজ্য গঠনৰ দাবীত 'অহোম তাই মংগোলীয় ৰাজ্য পৰিষদৰ' উদ্দ্যোগত মৰাণত অনুষ্ঠিত ইয়াৰ ৰাজ্যিক পৰিষদৰ বৈঠকে 'উজনি অসম ৰাজ্য পৰিষদ' নামেৰে আঞ্চিলিক দলৰ জন্ম দিয়ে। এই আঞ্চিলিক দলে ১৯৭২ চনত অনুষ্ঠিত নিৰ্বাচনত উজনি অসমৰ বিভিন্ন সমষ্টিৰ লগতে সোণাৰি সমষ্টিত জানকী সন্দিকৈক নিজৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰোৱাইছিল আৰু জয়ীও হৈছিল। সন্দিকৈৰ বিজয়ে অসমৰ ৰাজনৈতিক মানচিত্ৰত শিৱসাগৰৰ সোণাৰিয়ে এক সুকীয়া ইতিহাস সৃষ্টি কৰিছিল। অৱশ্যে উজনি অসম ৰাজ্য পৰিষদে পৰৱৰ্তী সময়ত নিজৰ জনপ্ৰিয়তা অব্যাহত ৰাখিব নোৱৰাৰ কাৰণে ১৯৭৮ চনত সোণাৰি সমষ্টিক পুনৰ কংগ্ৰেছৰ দখললৈ নিয়ে চাহ মজদুৰ নেতা সত্য তাতীয়ে। তাতী ডাঙৰীয়াই পুনৰ ১৯৮৩ চনৰ সপ্তম নিৰ্বাচনটো সোণাৰি বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। সুদীৰ্ঘ ছবছৰীয়া ঐতিহাসিক বিদেশী খেদা অসম আন্দোলৰ পাছত জন্ম লাভ কৰা অসমৰ প্ৰথমটো আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদে ১৯৮৫ চনত অনুষ্ঠিত অষ্টমটো বিধানসভা নিৰ্বাচনত সমগ্ৰ ৰাজ্যখনতে ৰাজনৈতিক পট পৰিৱৰ্তন কৰিবলৈ সক্ষম হৈছিল। ফলস্বৰূপে ১৯৮৫ ৰ নিৰ্বাচনত অগপ দলৰ প্ৰাৰ্থী ভদ্ৰেশ্বৰ বুঢ়াগোহাঁয়ে সোণীৰি সমষ্টিৰ পৰা বিজয়ী হয়। অৱশ্যে আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদৰ এই জনপ্ৰিয়তা সমষ্টিটোত বেছিদিনৰ কাৰণে বৰ্তি নাথাকিল। ৰাজনীতিত জোৱাৰ-ভাটাৰ স্বাভাৱিক পৰিঘটনাৰ বাবে ১৯৯১ চনৰ পৰা একেৰাহে ২০১৬ চনলৈকে সোণাৰি সমষ্টিক পুনৰ জাতীয় কংগ্ৰেছৰ দখললৈ নিবলৈ সক্ষম হয় দ'ল বাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত শৰৎ বৰকটকীয়ে। বৰকটকী ডাঙৰীয়াই একাধিক বাৰ অসম মন্ত্ৰীসভাৰ কেবিনেট পৰ্যায়ৰ মন্ত্ৰীৰ আসন শুৱনি কৰিছে। শৰৎ বৰকটকীয়ে মুঠ পাঁচবাৰ এই সমষ্টিটো প্ৰতিনিধিত্ব কৰিছে। ৰাজনীতিত উত্থান-পটন এটা স্বাভাৱিক ঘটনা। তেনে এক প্ৰেক্ষাপটতে ২০১৬ চনৰ চতুৰ্দশ বিধানসভা নিৰ্বাচনত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক বিজেপিৰ প্ৰাৰ্থী শ্ৰী তপন কুমাৰ গগৈ সোণাৰি সমষ্টিৰ পৰা প্ৰথম বাৰৰ কাৰণে ভাৰতীয় জাতীয় কংগ্ৰেছৰ শৰৎ বৰকটকীক পৰাভূত কৰি নিৰ্বাচিত হ'বলৈ সক্ষম হৈছে। অৱশ্যে ২০১৯ চনৰ সংসদীয় নিৰ্বাচনত শ্ৰী তপন কুমাৰ গগৈয়ে যোৰহাট লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হৈ জয়ী হোৱাত সোণাৰি সমষ্টিৰ পৰা উপ-নিৰ্বাচনত শ্ৰীমতী জানকী নাথ সন্দিকৈয়ে বিধায়ক হিচাপে জয়ী হয়। ২০২১ চনত পুনৰ বিজেপিৰ প্ৰাৰ্থী শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াই সোণাৰি সমষ্টিৰ পৰা বিধায়ক হিচাপে জয়ী হয়।

উল্লেখ্য যে স্বাধীনতাৰ পাছতে মাহমৰা বুলি কোনো বিধান সভা সমষ্টি নাছিল। বৰ্তমানৰ মাহমৰা বিধান সভা সমষ্টিৰ বহু অঞ্চল তেতিয়া থাওৰা সমষ্টিৰ অন্তৰ্গত আছিল। ১৯৬৭ চনত বিধান সভা সমষ্টি পুনৰ গঠন হোৱাত থাওৰা সমষ্টি ভাগ হৈ মাহমৰা আৰু থাওৰাৰ সৃষ্টি হয়। নৱগঠিত মাহমৰা বিধান সভা সমষ্টিৰ প্ৰথমজন বিধায়ক আছিল প্ৰয়াত ৰত্নেশ্বৰ কোঁৱৰ ডাঙৰীয়া। তেওঁ ১৯৬৭ চনৰ পৰা ১৯৭২ চনলৈকে মাহমৰা সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। ইয়াৰ পাছত ১৯৭২ চনৰ পৰা ১৯৭৮ চনলৈ মাহমৰা বিধান সভা সমষ্টিৰ দ্বিতীয়জন বিধায়ক আছিল শ্ৰীযুত খগেন গগৈ। গগৈ ডাঙৰীয়াৰ দিনত মাহমৰা সমষ্টিত যথেষ্ট উন্নয়নমূলক কাম-কাজ হৈছিল বুলি ৰাইজে ক'ব খোজে। বুদ্ধ বৰুৱাই ১৯৭৮ চনৰ পৰা ১৯৮৩ চনলৈকে এই সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। বৰুৱা ডাঙৰীয়া কামৰ মানুহ আছিল যদিও সেই সময়ত সামাজিক তথা ৰাজনৈতিক বাতাবৰণ কাম কৰাৰ কাৰণে অনুকুল নাছিল বাবে তেওঁ বিশেষ তৎপৰতা দেখুৱাব নোৱাৰিছিল। একেদৰে **১৯৮৩** চনৰ অবৈধ নিৰ্বাচনত কংগ্ৰেছ দলৰ নাৰদ কমাৰ নিৰ্বাচিত হৈছিল। ১৯৮৫ চনৰ অগপ দলৰ প্ৰয়াত চন্দ্ৰ আৰন্ধৰাই পোন প্ৰথম বাৰৰ বাবে মাহমৰা সমষ্টিৰ পৰা নিৰ্বাচিত জয়ী হৈ ৰাইজৰ সেৱা কৰাৰ সুবিধা পাইছিল। নৱগঠিত আঞ্চলিক দলটোৰ প্ৰতিনিধিজনে সমস্যাৰ অনুপাতে মাহমৰাবাসী ৰাইজক সন্তুষ্ট কৰিব পৰা নাছিল। যাৰ বাবে ১৯৯১ চনৰ নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰয়াত লক্ষীপ্ৰসাদ বৰগোহাঁইৰ হাতত পৰাজয় হয়। বৰগোহাঁই ডাঙৰীয়া মৰাণ অঞ্চলৰ স্থায়ী বাসিন্দা আছিল আৰু তেওঁ মৰাণবাসীৰ সপোন বাস্তৱায়িত কৰাত পাৰ্যমানে চেষ্টা কৰিছিল। অৱশ্যে তেওঁ ১৯৯৬ চনৰ নিৰ্বাচনত অগপ দলৰ হিৰণ্য কোঁৱৰৰ হাতত পৰাজিত হৈছিল। সেই সময়ৰ মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তৰ মন্ত্ৰীসভাত হিৰণ্য কোঁৱৰে পশুপালন বিভাগৰ ৰাজ্যিক মন্ত্ৰীত্বও লাভ কৰিছিল। পিছে সেইবাৰো আঞ্চলিক চৰকাৰখন অনাকাংক্ষিত কিছুমান সমস্যাৰ সৈতে সাঙোৰ খাই পৰাত ৰাইজৰ আস্থা উদ্বেগজনকভাৱে কমি আহিছিল। যাৰ বাবে হিৰণ্য কোঁৱৰ ডাঙৰীয়াই পাছৰ চাৰিটা নিৰ্বাচনতে পৰাজয় বৰণ কৰিছে। ২০০১ চনৰ পৰা ধাৰাবাহিকভাৱে প্ৰয়াত দুৰ্গেশ্বৰ শইকীয়াৰ পুত্ৰ শৰৎ শইকীয়াই তিনিটা নিৰ্বচনত জয়ী হৈ মাহমৰা সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ অসম চৰকাৰৰ বিত্ত বিভাগৰ সংসদীয় সচিব হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। শইকীয়াৰ নেতৃত্বত শিৱসাগৰৰ অন্তৰ্ভুক্ত মাহমৰা সমষ্টিৰ ৰাইজে দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ প্ৰচেষ্ট চলাইছিল। ২০১৬ চনৰ চতুৰ্দশ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী যোদেন মহনে কংগ্ৰেছৰ নিকটতম প্ৰতিদ্বন্দ্বী সূৰুজ দিহিঙ্গীয়াক বিপুল ভোটৰ ব্যৱধানত পৰাজিত কৰি নিৰ্বাচিত হৈছে। পুনৰ ২০২১ চনত বিজেপিৰ প্ৰাৰ্থী যোদেন মহনে কংগ্ৰেছৰ প্ৰতিদ্বন্দ্বী সূৰুজ দিহিঙ্গীয়াক পৰাজিত কৰি নিৰ্বাচিত জয়ী হয়।

বিঃ দ্ৰঃ লেখাটো প্ৰস্তুত কৰোতে তথ্য বিচাৰি কেইবাজনো জ্যেষ্ঠ ব্যক্তিৰ সহায় লোৱা হৈছিল। তেওঁলোকৰ ওচৰত কৃতজ্ঞ। এইটো এটা অসম্পূৰ্ণ লেখা। ভৱিষ্যতে কোনোবাই তথ্য সহকাৰে ভুল আঙুলিয়াই দিলে সংশোধন কৰা হ'ব। অনিচ্ছাকৃত ভুলৰ বাবে দুঃখিত। -ঃঃঃ-

# চৰাইদেউ জিলাত ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ




চৰাইদেউ ঃ ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী (ভিত্তিবৰ্ষ ১-০১-২০২৪)ৰ লগত সংগতি ৰাখি ৮ ফেব্ৰুৱাৰীত চৰাইদেউ জিলাৰ জিলাৰ আয়ুক্ত তথা নিৰ্বাচনী বিষয়া নিবেদন দাস পাটোৱাৰীয়ে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন বৈঠকত ৯৩ নং সোণাৰি বিধানসভা সমষ্টি আৰু ৯৪ নং মাহমৰা বিধানসভা সমষ্টিৰ ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰে। ৰাজনৈতিক দলৰ প্ৰতিনিধি আৰু সংবাদসেৱী সকলৰ উপস্থিতিত ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰি জিলা নিৰ্বাচনী বিষয়া গৰাকীয়ে কয় যে, জিলাখনৰ মুঠ ৩৪৪ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ১৭৯ টা সোণাৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত আৰু ১৬৫ টা মাহমৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত। তেওঁ লগতে উল্লেখ কৰে যে, জিলাখনৰ মুঠ ভোটাৰৰ সংখ্যা ৩,১৮,৫৪৬ গৰাকী। সোণাৰি বিধানসভা সমষ্টিৰ মুঠ ১,৭০,৮৭৯ গৰাকী ভোটাৰৰ ৮৪,৩৬৭ গৰাকী পুৰুষ আৰু ৮৬,৫১২ গৰাকী মহিলা । আনহাতে মাহমৰা বিধানসভা সমষ্টিৰ মুঠ ১,৪৭,৬৬৭ গৰাকী ভোটাৰৰ ৭২,৪৯৭ গৰাকী পুৰুষ আৰু ৭৫,১৭০ গৰাকী মহিলা। তেওঁ আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে গঠিত বিভিন্ন নিৰ্বাচনী কোষৰ বিষয়ববীয়া সকলক ইতিমধ্যে প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি অৱগত কৰে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত (নিৰ্বাচন) অভিজিত গগৈও উপস্থিত থাকে।






# চৰাইদেউৰ ঐতিহাসিক পুখুৰীবোৰ

মণি গগৈ
জোনাকী বাট, সোণাৰি

অপৰূপ শোভাৰ অৰুণাচল, ৰাশি ৰাশি নয়নাভিৰাম পাহাৰেৰে আবৃত নাগালেণ্ড, শ্যামলীমাৰে উপচা অনুপম অসমৰ সংযোগ স্থলত অৱস্থিত চৰাইদেউ নামৰ ইতিহাসপ্ৰসিদ্ধ জিলাখন। মহান নৃপতি চ্যুকাফাই সূচনা কৰা ছশ বছৰীয়া ৰাজত্বকালৰ অনেক কীৰ্তিচিহ্ন ইয়াৰ বুকুত সিঁচৰতি হৈ আছে। ধোদৰ আলি, নাহৰ আলি আদিৰ দৰে পথ, লাদৈগড়, শিয়ালগড় আদি গড়কে ধৰি অনেক সৰুবৰ মৈদাম আৰু পুখুৰীয়ে জিলাখনৰ ভিন্ন প্ৰান্তত ইতিহাসৰ প্ৰামাণ্য আৰু উজ্জ্বল স্বাক্ষৰ বহন কৰি আহিছে।

সুদীৰ্ঘ সময়ছোৱাত আহোম স্বৰ্গদেউ, ডা-ডাঙৰীয়া অথবা ব্যক্তি বিশেষে স্মৃতি ৰক্ষাৰ্থে, প্ৰজাৰ সুবিধাৰ বাবে ৪০০ তকৈ অধিক পুখুৰী খন্দোৱাইছিল। পুখুৰী খন্দাবৰ বাবে প্ৰথমতে পানীৰ উঁহৰ সন্ধান কৰা হৈছিল।

এন্ধাৰ নিশা মিঠাতেলৰ চাকি জ্বলাই মাটিৰ ওপৰে ওপৰে গৈ থাকোঁতে যি ডোখৰ ঠাইত ঢপকৈ চাকিটো নুমাই যায়, সেই ঠাইকে কেন্দ্ৰ কৰি পুখুৰী খন্দা আৰম্ভ হয়। কেন্দ্ৰটোৰ নিচেই কাষতে নাগমাৰি বা সাপৰ মূৰৰ আকৃতিৰ শাল কাঠৰ খুটা পোতা হয়।

বহু সময়ত পুখুৰী খান্দিবলৈ হ'লে প্ৰথমতে ৰজাৰ বিয়য়াই মাটিখিনি চেলেকি চায় । তাৰ পিছত এটা ধাৰণা কৰি এন্ধাৰ নিশা কিছুসংখ্যক মিঠাতেলৰ চাকি জ্বলাই ঠাই ডোখৰত এটা সম্পৰীক্ষা কৰে। তেল, শলিতা ঠিকে থকা স্বত্বেও বতাহ নবলাকৈয়ে যিবিলাক চাকি নুমাই যায় সেই ঠাই সমূহত একোটি খুটি পুতি যায়। তাৰ পিছত এখন ডাঙৰ মিঠাতেলৰ চাকি জ্বলাই আগতে পোৰা খুটিবোৰৰ ঠাইত দি যায়। য'তেই চাকিখন নুমাই যায়, সেই ঠাইকে কেন্দ্ৰ কৰি পুখুৰীৰ খনন আৰম্ভ হয়।

আন এক পদ্ধতিৰেও পানীৰ উঁহৰ সন্ধান কৰা হৈছিল। পুখুৰী খন্দাৰ বাবে নিৰ্বাচন কৰা এলেকাটোৰ ওপৰেদি এটা নৰা বগৰীৰ ডাল বা ঠাল সমতলৰ সমান্তৰালকৈ বুকুত লগাই খোজকাঢ়ি যোৱা হৈছিল। এনেকৈ যাওতে হঠাতে নৰা বগৰীৰ ডালটো উলম্ব হৈ পৰিলে সেই ঠাইতে পানীৰ উঁহ আছে বুলি নিৰ্ধাৰিণ কৰা হয়। তেতিয়া তাক কেন্দ্ৰ কৰি পুখুৰী খন্দা কাৰ্য আৰম্ভ হয়। বহু সময়ত পাৰ সমূহ বাহিৰৰ পৰা খাৰৈ বা যমুনা খান্দি তৰপে তৰপে মাটি জাপি হাতীক গচকাই মজবুতকৈ বন্ধা হৈছিল। এনে কৰাৰ বাবে পাৰেদি পানী সৰকি যাব নোৱাৰিছিল আৰু দেখাত ঢৌ এটাৰ দৰে পুখুৰীটো পানীৰে উপচি থাকিছিল।

এনেকৈ খন্দোৱা বহু পুখুৰী অভয়পুৰ, সাপেখাতি, বৰুৱাচালি, মাহমৰা, খালৈঘোগোৰা আদি মৌজাত সিঁচৰতি হৈ আছে । সোণাৰি পুখুৰী, ভজো বৰুৱাৰ পুখুৰী, আইদেউ পুখুৰী, পেহী পুখুৰী, দীঘলীপুখুৰী, ভৰালীপুখুৰী, গোটোঙা পুখুৰী, ৰজা পুখুৰী (প্ৰকৃততে বৰপাত্ৰ পুখুৰী), আটালপুখুৰী, কনচেং বৰপাত্ৰগোঁহাই পুখুৰী, নেওগফুকনৰ পুখুৰী, খাৰঘৰীয়া ডবা পুখুৰী, নাহৰতলী বৰ পুখুৰী, মাহমৰা কোঁৱৰগাওঁৰ ভঁৰালীপুখুৰী, নাফুকৰ দলৈ পুখুৰী, খামন গাঁৱৰ পুখুৰী আদি অনেক পুখুৰীয়ে অতীত স্মৃতিগাঁথা বহন কৰি আহিছে।

জিলাখনত থকা আন কীৰ্তিচিহ্ন সমূহ অৱক্ষয় অথবা বেদখলৰ সন্মুখীন হৈ আহিছে যদিও এই পুখুৰীসমূহে আজিও নিজৰ অস্তিত্ব বৰ্তাই ৰাখিছে। ঐতিহ্যৰ অন্বেষণ আৰু স্মৃতিমধুৰ পৰিচিতি গৰিমাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি এই সম্পদ সমূহৰ সংৰক্ষণ, সংবৰ্ধন আৰু সৌন্দৰ্য বৰ্ধনৰ পদক্ষেপ লোৱা দৰকাৰ।

এক নিটোল-নিয়াৰিৰূপত সজাই তুলি এই ঐতিহাসিক পুখুৰীসমূহ দৃষ্টিনন্দন কৰি নতুন মাত্ৰা আনিব পাৰি। স্থানীয় জনসাধাৰণ, দল-সংগঠনৰ চেতনা, সদিচ্ছা, উদ্যম আৰু উদ্যোগৰ জৰিয়তে অৱহেলিত ৰূপত থকা পুখুৰীসমূহকো এক প্ৰাণময়, মনোৰম পুষ্পকাননলৈ উত্তৰণ ঘটাব পাৰি। পাৰসমূহৰ চৌদিশে চৰকাৰ অথবা কোনো ব্যক্তিগত খণ্ডৰ কৰ্তৃপক্ষৰ সৌজন্যত দেৱাল সজাই হেঙুল হাইতালেৰে বোল সানি এক ইতিহাস বিজড়িত আৱেগ নমাব পাৰি। পুখুৰীৰ পানীৰ দাঁতিৰ পাৰটোত ৰেলিং নিৰ্মানেৰে নিৰাপদ কৰি তোলাৰ লগতে সৌন্দৰ্যৰ সংযোজন ঘটাব পাৰি।

সুবিধা আৰু পৰিকল্পনা অনুসাৰে পাৰৰ স্থান বুজি নাহৰ, তগৰ, বকুল এজাৰ, সোণাৰু, কাঞ্চন আদি নানা তৰহৰ সুশোভিত কৰা গছপুলি ৰুলে আকৰ্ষণীয় হৈ উঠিব। সম্ভৱস্থলত পৰিচ্ছন্ন টয়লেট, পানী, পোহৰৰ সংযোজন হক্সলে ঠাইডোখৰ ৰূপান্তৰিত কৰি তুলিব। আৰু সৰুকৈ হ'লেও প্ৰয়োজন অনুসাৰে চাহ-বিস্কুটৰ বিপনী থাকিলে ভাল হয়।

এখন ফলকত ইতিহাসৰ তথ্য আৰু গুৰুত্বৰ কথা উল্লেখ কৰি, পুখুৰীটোৰ চকুত পৰা স্থানত স্থাপন কৰি ঠাইখন গাওঁ বা অঞ্চলটোৱে ঐতিহ্যৰ গৌৰৱ, সুৰুচিশীলতাৰ পৰিচয় উজ্বলাই ৰাখিবলৈ সক্ষম হ'ব। তাৰ বাবে প্ৰয়োজন-গৃহস্থৰ ভুমিকাত স্থানীয় ৰাইজৰ সচেতন আন্তৰিক প্ৰচেষ্টা আৰু আত্মমৰ্যদাৰ উপলব্ধি।

আহক, আমি ধৰণীখন এনেকৈয়ে ধুনীয়া কৰোঁ।







# ভাৰতীয় ক্ৰিকেটৰ বিশ্বস্তৰত আৰম্ভণি

চাও হানচেং কোঁৱৰ, সোণাৰি

দুটা ভিন্ন সময়ত কিন্তু একেটা দিনতে ভাৰতৰ ক্ৰিকেট ইতিহাসত ঘটিছিল দুটা ঐতিহাসিক ঘটনা ।২৫ জুনৰ দিনটোতে ভাৰতে প্ৰথম আন্তৰাষ্ট্ৰীয় টেষ্ট মেচ খেলাৰ স্বীকৃতি লাভ কৰিছিল। আজিৰে পৰা প্ৰায় ৯২ বছৰ পূৰ্বে কৰ্ণেল চি কে নাইডুৰ নেতৃত্বত ভাৰতীয় জাতীয় ক্ৰিকেট দলটোৱে লৰ্ডছত ইংলেণ্ডৰ বিৰুদ্ধে প্ৰথম টেষ্টত অৱতীৰ্ণ হৈছিল । ২৫ জুন ভাৰতীয় ক্ৰিকেটৰ (Indian Cricket) বাবে এটা ঐতিহাসিক দিন ।কিয়নো ২৫ জুনৰ দিনটোতে আন্তৰাষ্ট্ৰীয় ক্ৰিকেটত ভাৰতে দুটা মাইলৰ খুঁটি স্থাপন কৰিছিল ।এটা হৈছে টেষ্ট ক্ৰিকেটতত ভাৰতৰ অভিষেক ।আনটো হৈছে প্ৰথম বিশ্বকাপ জয়ৰ সোৱাদ ।এই দিনটোতে ভাৰতীয় ক্ৰিকেটে বিশ্ব ক্ৰিকেটত নিজৰ পৰাক্ৰম আৰু প্ৰতিভা প্ৰমাণ কৰিছিল । টেষ্ট ক্ৰিকেটৰ পানী কেঁচুৱা ভাৰতে ক্ৰিকেটৰ জন্মদাতা ইংলেণ্ডৰ হাতত পৰাজয়বৰণ কৰিছিল ।১৯৮৩ চনত প্ৰথম বিশ্বকাপ ট্ৰফী লৈ কপিল দেৱ ভাৰতৰ বাবে সেইটো অৱশ্যে কোনো বিশেষ ডাঙৰ কথা নাছিল ।কাৰণ প্ৰথম টেষ্টত অৱতীৰ্ণ হৈয়ে ইংলেণ্ডৰ দৰে দলৰ মুখামুখী হোৱাটো তেনে এটা সহজ কাম নাছিল ।সেয়া আছিল ১৯৩২ চনৰ ২৫ জুনৰ কথা (India first test match 25th june, 1932)। যিটো চন আৰু তাৰিখ ভাৰতৰ ক্ৰিকেট ইতিহাসত স্বৰ্ণিল আখৰেৰে লিখা আছে। টেষ্টখনত ভাৰত ইংলেণ্ডৰ হাতত ১৫৭ ৰাণত পৰাস্ত হয় ।কিন্তু ১৯৩২ চনৰ ২৫ জুনত ভাৰতীয় ক্ৰিকেটৰ যি বীজ সিঁচা হৈছিল, তাৰ ফচল এতিয়া ২০২৪ চনলৈকে চপাই থকা হৈছে ।

<u>ভাৰতীয় ক্ৰিকেটত অসমৰ খেলুৱৈঃ</u>

অসমৰ ক্ৰিকেট সমাজৰো ভাৰতীয় ক্ৰিকেটত বহু গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰি আহিছে। শ্বিলংৰ গেৰীছন খেল পথাৰত ১৯৪৮ চনৰ ১৭,১৮,১৯ ডিচেম্বৰত United Province নামেৰে তাহানিৰ অসম দলে অধিনায়ক ৰুডল্ফ কেটেলৰ নেতৃত্বত প্ৰথম ৰঞ্জী ট্ৰফীৰ খেলত অংশ লৈ আৰু তেতিয়াৰে পৰা এতিয়ালৈকে অসমৰ সৰ্বমুঠ পুৰুষ শাখাত ১৩ জন ক্ৰিকেটাৰ আৰু মহিলা ক্ৰিকেটত এগৰাকী ক্ৰিকেটাৰে বিভিন্ন বয়সৰ শাখাত ভাৰতীয় জাতীয় ক্ৰিকেট দলক প্ৰতিনিধিত্ব কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে।

<u>অসমৰ ক্ৰিকেটত চৰাইদেউৰ প্ৰতিনিধিত্ব আৰু চমু ইতিবৃত্ত</u>

চৰাইদেউ ক্ৰিকেটৰ আৰম্ভণি প্ৰায় ১৯৪৫ চনত হোৱাৰ ইতিহাস বিচাৰি পোৱা যায়। ১৯৮৪ চনত তেতিয়াৰ চৰাইদেউ মহকুমাৰ কিছু ক্ৰীড়া সংগঠকৰ বলিষ্ঠ প্ৰয়াসত চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ প্ৰতিষ্ঠা লাভ কৰাৰ পাছতে ক্ৰিকেট, ফুটবল,ভলিবল, কাবাডীকে ধৰি বহু কেইটা ক্ৰীড়াৰ অভিষেক ঘটে জিলাখনত। অসম ক্ৰিকেট সন্থাৰ দ্বাৰা আয়োজন কৰা বিভিন্ন বৰ্যৰ অনুৰ্ধ্ব প্ৰতিযোগিতাত চৰাইদেউ জিলাৰ দলে অংশগ্ৰহণ কৰি আহিছে।এই পৰ্যন্ত চৰাইদেউ জিলাৰ পৰা অসমৰ পুৰুষ দলত বিভিন্ন বৰ্যৰ অনুৰ্ধ্ব দলত প্ৰায় ২৬ জন ক্ৰিকেটাৰে প্ৰতিনিধিত্ব কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। তাৰ ভিতৰত মানসজ্যোতি গগৈ, প্ৰয়াত ৰিপুঞ্জয় ফুকন, প্ৰসূন ৰাজকোঁৱৰ, মুজিবুৰ আলি, পাৰ্থজ্যোতি গগৈ, বিশাল সুৰেকা, মিহিৰ গোৱালা, ৰিদিপ মহন, সুভাশীষ দত্ত, ৰিতুৰাজ বিশ্বাস, ইৰফান আনচাৰী, পুলকিত জৈইন, প্ৰাঞ্জল পাল অন্যতম। আনহাতে মহিলা ক্ৰিকেটত চৰাইদেউ জিলাৰ পৰা সুন্দৰ প্ৰদৰ্শন আগবঢ়াই অসম দলৰ হৈ প্ৰতিনিধিত্ব কৰা সুযোগ পাইছে সাবিত্ৰী ওৰাং, শৰ্মিস্থা গগৈ আৰু গায়ত্ৰী গুৰুংয়ে। ব্যাপক আন্তঃগাৰ্থনিৰ অভাৱৰ পাছতো জিলাখনৰ ক্ৰিকেট সংগঠক, প্ৰাক্তন ক্ৰিকেটাৰ আৰু ক্ৰিকেটাৰ সকলৰ একান্ত সাধনাৰ ফলতেই অতি পিছপৰা অঞ্চলৰ পৰা ক্ৰিকেটৰ দৰে যথেষ্ট ব্যয়বহুল ক্ৰীড়াত অংশগ্ৰহণ কৰি নিজ ৰাজ্যক প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হৈছে। সুদীৰ্ঘ দিনৰ পৰা চলি অহা এই সুদৰ্শন প্ৰচেষ্টা বাবে ইতিমধ্যে অসম ক্ৰিকেট সন্থাই চৰাইদেউ জিলাত সুকীয়া ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণৰ ব্যয়বহুল পক্ৰিয়া আৰম্ভ কৰিছে যি ভবিষ্যতৰ চৰাইদেউ জিলাৰ ক্ৰিকেটৰ বাবে ন দিগন্তৰ সুচনা কৰাতো প্ৰায় নিশ্চিত।

চতুৰ্থ পৃষ্ঠাত চাওক...



# অসমীয়া বস্ত্ৰ আমাৰ স্বাভিমান

প্ৰীতিমা চাংমাই
পৰিদৰ্শক,হস্ততাঁত আৰু বস্ত্ৰশিল্প,চৰাইদেউ,সোণাৰি

অসমৰ প্ৰত্যেক জাতি-জনগোষ্ঠীৰে লিখিত ইতিহাস আছে । এই ইতিহাসৰ পৃষ্ঠাবোৰ ফঁহিয়াই চালে জাতি জনজাতিসমূহৰ অতীজৰে পৰা চলি অহা বিভিন্ন উৎসৱ, নৃত্য, গীত, খাদ্যাভ্যাস,ধৰ্ম আদিৰ বিষয়ে বিস্তৃতভাৱে জানিব পৰা যায় । কিন্তু সাজ-পোচাকৰ ক্ষেত্ৰত তুলনামূলকভাৱে ইতিহাসে অতি কম কথা কৈ থৈ গৈছে । ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই 'অসমৰ লোক সংস্কৃতি',ডঃ প্ৰফুল্ল কুমাৰ নাথে 'অসমীয়া সংস্কৃতিৰ ৰূপৰেখা', সূৰ্য কুমাৰ ভূঞাই 'ত্ৰিপুৰা বুৰঞ্জী' আদি পুথিত অসমীয়া বস্ত্ৰৰ বিষয়ে যৎকিঞ্চিৎ উল্লেখ কৰি গৈছে । সেইসূত্ৰে আমি জানিবলৈ পাওঁ যে সপ্তম শতিকাত ভাস্কৰ বৰ্মাই হৰ্ষবৰ্দ্ধনলৈ পঠিওৱা উপঢৌকনৰ মাজত উৎকৃষ্টতম ৰেচমী কাপোৰো আছিল । তাৰোপৰি আহোম স্বৰ্গদেউসকলে তাঁতশিল্পৰ পোষকতা কৰা বাবে এৰী, মুগা, পাট, কপাহী বস্ত্ৰৰ প্ৰচুৰ প্ৰচলন আছিল আহোম যুগত । স্বৰ্গদেউ প্ৰতাপসিংহৰ ৰাজত্বকালত মোমাই তামুলী বৰবৰুৱাই প্ৰতিগৰাকী অসমীয়া তিৰোতাই ঘৰতে সূতা কাটি কাপোৰ তৈয়াৰ কৰাটো বাধ্যতামূলক কৰিছিল । মূলাগাভৰুৱে কবচ কাপোৰ বৈ ৰণলৈ পঠিয়াব নোৱাৰি আক্ষেপ কৰাৰ কথা বুৰঞ্জীয়ে সোঁৱৰাই থাকে । আনকি স্বৰ্গদেউ ৰুদ্ৰসিংহয়ো মুছলমান তাঁতী সম্প্ৰদায়ৰ শিল্পী আনি ৰংপুৰত বাস কৰিবলৈ সুবিধা দিছিল । শ্ৰীমন্তশঙ্কৰদেৱে মহাৰাজ নৰনাৰায়ণৰ নিৰ্দেশমৰ্মে শ্ৰীকৃষ্ণৰ লীলা সম্বলিত চানেকিৰে 'বৃন্দাৱনী বস্ত্ৰ' তৈয়াৰ কৰোৱাইছিল । দীঘলে এশ বিছ হাত আৰু পুতলে ষাঠি হাতৰ এই বস্ত্ৰখন বৰপেটাত তাঁতীকুছিৰ তাঁতীসকলৰ দ্বাৰা তৈয়াৰ কৰোৱাইছিল বুলি জনা যায় ।

অসমত প্ৰচলিত কপাহী, এৰী,পাট আৰু মুগা সূতাৰ এক সুকীয়া চাহিদা আছে । মুগা পলুৱে চোম, সোৱালু, দীঘলতি, পাণচপা আৰু মেজাংকৰি গছৰ পাত খায় । পাণচপা গছৰ পাত খোৱা মুগাপলুৰ পৰা হোৱা সূতা মিহি আৰু চিকচিকিয়া হয় । মেজাংকৰি গছৰ পাত খোৱা মুগাপলুৰ পৰা হোৱা সূতাৰ ৰং উজ্জ্বল সোণবৰণীয়া হয় । তেনে সূতাক 'মেজাংকৰি পাট' নামেৰে জনা যায় । আমাৰ বাবে অতি গৌৰৱৰ কথা এয়ে যে 'সোণালী সূতা' নামেৰে বিখ্যাত হোৱা মুগা সূতা পৃথিৱীৰ আন কোনো ঠাইতে উৎপাদন নহয় ।

উল্লেখিত সূতাবোৰৰ দ্বাৰা নিৰ্মিত কেতবোৰ বস্ত্ৰৰ কথা আমাক ইতিহাসে সোঁৱৰাই দিয়ে ।

অতীজতে 'আঁক্‌লা' নামৰ এবিধ বস্ত্ৰৰ প্ৰচলনৰ কথা জনা যায়। সন্তানসম্ভৱা মহিলাৰ বাবে এই বস্ত্ৰখন তৈয়াৰ কৰিছিল বুলি জনা যায় । সাধাৰণতে আইতাকে নাতি-নাতিনীৰ বাবে এই বস্ত্ৰখন তাঁতত বৈ উলিয়াইছিল । গামোচাখনৰ সমান বহল কিন্তু গামোচাখনতকৈ ছুটি এই বস্ত্ৰবিধ কপাহী সূতাৰে কোমলকৈ বোৱা হৈছিল । জন্ম হোৱাৰ পাছতে নৱজাতকক এই বস্ত্ৰখনেৰে আলফুলকৈ আকোঁৱালি লোৱা হৈছিল বাবে বস্ত্ৰখনৰ নাম আঁক্‌লা বুলি জনা যায় । আঁক্‌ল মানে আকোঁৱালি লোৱা। '

'হাঁচতি' অসমীয়া সমাজত অতীজৰে পৰা প্ৰচলিত আন এবিধ বস্ত্ৰ । মহিলাসকলে ধান দাবলৈ যাওঁতে, ৰুবলৈ যাওঁতে, জেং বিহু মাৰিবলৈ যাওঁতে কঁকালৰ খুচনিত গুজি এই বস্ত্ৰবিধ লৈ গৈছিল । হাঁচতিত তামোল-পাণ, বঁহত গছৰ ছালি, লং-দালচেনি, ডাব কটাৰী সকলো আটোমটোকাৰীকৈ বান্ধি লৈছিল । আমাৰ আইতাই আটাইকেইপদ সামগ্ৰীৰ স'তে ৰূপৰ চূণ-চাদাৰ টেমী এটাও হাঁচতিত বান্ধি খুচনিত লৈ ফুৰা আমি প্ৰত্যক্ষ কৰিছিলোঁ । বিহুৰ বতৰত বিহুৱতীয়ে হাঁচতিত তামোল বান্ধি চেনাইলৈ মনে মনে লৈ যায় বুলি কয় । তাৰোপৰি আইতাহঁতে আই সকামলৈ যাওঁতে, নামঘৰলৈ যাওঁতে তেনে এখন হাঁচতিতে ঘৰলৈ মাহ-প্ৰসাদ বান্ধি আনে । সেই হাঁচতিখনলৈ নাতি-নাতিনীহঁতে হেঁপাহেৰে বাট চাই থাকে ।

'টঙালি' কঁকালত বন্ধা এনে এবিধ বস্ত্ৰ, যি বস্ত্ৰ বান্ধিলে কঁকালত জোৰ পোৱা যায় । আহোম ৰাজত্বকালত আহোম ৰণুৱাই এই বস্ত্ৰ কঁকালত টানকৈ বান্ধি যুদ্ধলৈ গৈছিল । এই বস্ত্ৰ কঁকালত সোঁফালে গাঁঠি মাৰি বান্ধি লয় । বোধহয় বাওঁফালে তৰোৱালখন থাকে বাবে সোঁফালে টঙালিৰ গাঁঠিটো থাকে । বৰ্তমান বিহুৱা ডেকাই বিহুৰ সাজৰ স'তে এই বস্ত্ৰ পৰিধান কৰে । 'টঙালি'ক লৈ গোৱা বিহুনাম এফাঁকি হৈছে -

"ৰঙালী বিহুতে ধেমালি
কঁকালত বান্ধি ল' টঙালি
চেনাই ঢোলে বাবি
ৰচকী নাচনী..."

"গামোচা" হৈছে অসমৰ স্বাভিমান, অসমৰ চিনাকি । অসমৰ সমূহ জাতি-জনজাতিক একতাৰ দোলৰে বান্ধিব কৰিব পৰা এবিধ ঐতিহ্যমণ্ডিত বস্ত্ৰ । বড়ো, কছাৰী, টিৱা, ৰাভা, চুতীয়া, দেউৰী, কাৰ্বি, সোণোৱাল সকলো জনজাতিৰে সুকীয়া সুকীয়া ডিজাইন শৈলীৰে সুকীয়া সুকীয়ানামেৰে গামোচা আছে । বড়োসকলে কয় গামচা, ৰাভাসকলে কয় পাজৰ, শৰনীয়া কছাৰীসকলে কয় মুক্‌চা, মদাহি কছাৰীসকলৰ আলন, কোঁচ ৰাজবংশীসকলে কয় আওঁচাই, লালুংসকলৰ কামচা, বৰ্মনসকলৰ ৰিচা আদি । যি বুলিয়েই নকওক গামোচাই এটা জাতি বা জনগোষ্ঠীৰ চিনাকি দিয়ে । মূলত আমাৰ সমাজত 'গামোচা' নামেৰে উচ্চাৰিত হোৱা বস্ত্ৰখনৰো ব্যৱহাৰ অনুসৰি ভাগ আছে । উকা গামোচা, ফুলাম গামোচা, তিয়নি গামোচা, দৰা বৰণৰ গামোচা, গোসাঁই থাপনাত দিয়া গামোচা আদি । গামোচাৰ আটাইতকৈ ভাল লগা আৰু আমাক পুলকিত কৰি তোলা নামটোৱেই হৈছে "বিহুৱান" । কিন্তু আটাইতকৈ পৰিতাপৰ কথা হৈছে বৰ্তমান বহিঃৰাজ্যৰ পৰা অহা গামোচাই আমাৰ বজাৰ দখল কৰিছেহি । অতি নিম্নমানদণ্ডৰ সূতাৰে পাৱাৰ লুমত বোৱা গামোচাই আমাৰ অসমীয়া গামোচাৰ ঐতিহ্য ম্লান কৰিছে । অতি কম দামতে কিনিবলৈ পোৱা বাবে থলুৱা শিপিনীসকলে বোৱা গামোচা ক্ৰয় নকৰে বাবে অসমীয়া শিপিনীসকলৰ ক্ষতি হৈছে । আচলতে সেইবিলাকক গামোচা বা বিহুৱান বুলি ক'ব নোৱাৰি গামোচাৰ নমুনাহে । বৰ্তমান অসম চৰকাৰে হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ 'স্ব-নিৰ্ভৰ নাৰী' নামৰ এক ধ্বজাবাহী আঁচনিৰ যোগেদি অসমীয়া শিপিনীয়ে বোৱা থলুৱা গামোচা কিনা আৰু বেচাৰ ব্যৱস্থা কৰিছে ।

অসমীয়া সমাজৰ আন এবিধ সন্মানজনক বস্ত্ৰ হ'ল "চেলেং" । আহোম যুগত ৰাজকীয় পৰিষদসকলে ধূতি, চাপকন, পাগুৰিৰ সৈতে চেলেং কাপোৰ পৰিধান কৰিছিল । সেয়ে বৰ্তমানেও চেলেঙক সন্মানীয় বস্ত্ৰ বুলি গণ্য কৰা হয় । ব্যৱহাৰ অনুসৰি চেলেঙৰো বিভিন্ন নাম আছে । উকা চেলেং, পাৰি দিয়া চেলেং, মগৰ দিয়া চেলেং, সত্ৰাধিকাৰসকলে পৰিধান কৰা চেলং, ওজাপালি চেলেং আদি । গামোচা আৰু চেলেং চাদৰক লৈ অনেক বিহুনাম আমাৰ সমাজত মুখে মুখে প্ৰচলিত হৈ আছে -

"আয়ে বৈয়ে দিয়া ফুলামকৈ গামোচা
মূৰত মাৰি বিহুলৈ যাওঁ..."

আৰু-

"সৰু সূতাৰ চেলেংখনি বৈ দিয়া সৰুভনী
তাকে লৈ বিহুলৈ যাওঁ হে লগৰীয়া"

আকৌ-

"বৌদেউ,বৌদেউ গামোচা লাগিব
বৌদেউ, বৌদেউ চেলেং চাদৰ লাগিব
লাগিব বাকচৰ ধন ।"

"খনিয়া কাপোৰ" আৰু "বৰ কাপোৰ" এই দুয়োবিধ সন্মানীয় বস্ত্ৰ জ্যেষ্ঠসকলক মান ধৰিবলৈ ব্যৱহাৰ কৰা হয় । অসমৰ কিছুমান ঠাইত খনিয়া কাপোৰ আৰু বৰ কাপোৰেৰে কেৱল বৰজনা সম্বন্ধীয় লোককহে মান ধৰা হয় বুলি জনা যায় ।

"ৰিহা" অসমীয়া জীয়ৰী তথা বোৱাৰীৰ অতি আদৰৰ বস্ত্ৰ । মহিলাৰ সম্পূৰ্ণ সাজ বুলি ক'লে অতীজত মেখেলা-চাদৰ আৰু ৰিহাখনকহে বুজাইছিল । আমি এগৰাকী আইতাক জীৱনকালত ব্লাউজ পিন্ধাই নেদেখিলো । ৰিহা মেৰাই, চাদৰ চাটি মাৰি লোৱাহে দেখিছিলোঁ । সন্মানীয় ব্যক্তিক চাহ জলপান দিওঁতে, সবাহ, নামঘৰ, শ্ৰাদ্ধ আদিত আৰু যিকোনো ধৰ্মীয় ৰীতি-নীতিত মহিলাই মেখেলা-চাদৰ, ব্লাউজ সহিতে ৰিহাও পৰিধান কৰে । ৰিহাখন সাধাৰণতে চাদৰতকৈ দীঘল আৰু ঠেক । ৰিহা কপাহী সূতা,পাট সূতা আৰু মুগা সূতাৰে তৈয়াৰ কৰি লোৱা হয় । ডবোৱা বছা, কেচবছা আৰু ফুলাম মুগা ৰিহা পিন্ধি আজিকালি নাচনীয়ে বিহু মাৰিবলৈয়ো যায় । তথাপিও মুগা সূতাৰ চৰা দামলৈ লক্ষ্য কৰি নাচনীয়ে বিহুনামত গায়-

"পিন্ধিব মন আছিলে মুগা ৰিহা-মেখেলা
কি হ'বনো থাকিলে পিন্ধিবলৈ নাপালে
বজাৰতে সূতা পায় কিনিবলৈ টকা নাই
সেই কাৰণে চেনাইধন বিহু বিহু লগা নাই ।"

চানেকি বা ডিজাইনৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা কেইবিধমান বস্ত্ৰ ডিজাইনটোৰ নামেৰেহে আহোম স্বৰ্গদেউৰ দিনত প্ৰচলন আছিল । বহুলোকে কিংখাপ মানে মেখেলা আৰু গোমচেং মানে চোলা বুলি ভ্ৰান্ত ধাৰণা এটা কৰি থকাৰ বিপৰীতে এই দুবিধ আচলতে চানেকিহে । এটা কল্কা ডিজাইনৰ ভিতৰত দুটা মুখামুখিকৈ যুঁজিবলৈ ৰৈ থকা সিংহ আকৃতিৰ চানেকি সম্বলিত বস্ত্ৰখনক কিংখাপ বা সিংহ খাপৰ বস্ত্ৰ বুলি বহুলোকে ক'ব খোজে । অৰ্থাৎ সাহসী জাতি আহোমৰ শিপিনীয়ে সিংহৰ প্ৰতীকো চানেকিত ব্যৱহাৰ কৰিছিল । আনহাতে গোমচেং চোলাৰ কাপোৰৰ ডিজাইনটো দেখাত গোমসাপৰ ছালৰ মোটিৰ দৰে বাবে সেই চোলাটোক গোমচেঙৰ চোলা বুলি কোৱা হয় বুলি কিছুলোকে কয় । যিটো চানেকি স্বৰ্গদেউৰ চোলাৰ বাবেহে বিশেষভাৱে তৈয়াৰ কৰা হৈছিল ।

সেয়ে গোৱা হয়-

"স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা
কাণত জিলিকিলে নৰা জাংফাই
গাতে গোম্‌চেঙৰ চোলা ।"

যি কি নহওক অসমৰ বস্ত্ৰ সংস্কৃতিৰ এক প্ৰাচীন ঐতিহ্য আছে । আমি অনুভৱ কৰোঁ যে অসমৰ জাতি-জনজাতিসমূহৰ বিচিত্ৰ বস্ত্ৰসম্ভাৰৰ বিষয়েও বিশদভাৱে আলোচনা আৰু গৱেষণা কৰাৰ অনেক থল আছে । আমাৰ লেখাটোত থোৰতে কেইবিধমান বস্ত্ৰৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল ।

*তৃতীয় পৃষ্ঠাৰপৰা...*

# বুঢ়াটোৱে ক'লে...

চুৰা খোৱা হা ? বুঢ়ীক দাঁত কৰচি সুধিলে বুঢ়াই।

অইনদিনাৰ দৰে আজিও বুঢ়ীয়ে সাৰসুৰ নোহোৱাকৈ বুঢ়াৰ গালি- শপনিবোৰ শুনিলে আৰু বুঢ়াৰ পিছে পিছে খোজ পেলালে। বুঢ়াৰ পিছে পিছে খোজ দিও বুঢ়ীয়ে চকুৰ আঁৰ নোহোৱালৈ চাই গ'ল চতিয়নাজোপাৰ তলৰ মাটিখিনিলৈ। ঠাইখিনি হাবিয়নি হৈয়েই ৰ'ল। চিকুণাই থৈ যাব নোৱাৰিলে বুঢ়ীয়ে। বুঢ়ীৰ মনত দুখ বৈ গ'ল। হা-হুতাহ কাঢ়ি কাঢ়ি যাবলৈ ধৰিলে বুঢ়ীয়ে।

বাৰীখন পাৰ হৈয়েই আহল-বহল পথাৰ এখন। তাৰ পিছতহে ঘাই আলি। ঘাই আলিত উঠি বুঢ়ীয়ে হুমুনিয়াহ এৰিলে দীঘলকৈ- সিপুৰীত লগ হ'ম দে বাচা মোৰ, আজিয়েই লগ হ'মগৈ।

বুঢ়ীয়ে অনুচ্চস্বৰত নিজকে নিজে কোৱা কথাষাৰ বুঢ়াই পিছে ঠিকেই শুনিলে।

ভয় আৰু শংকাত বুঢ়াৰ কলিজা কঁপি উঠিল। এই ল'ৰা-ছোৱালীসোপাই কমখন অশান্তি দিয়া নাই। ল'ৰা দুটাইতো শান্তি নোহোৱা কৰিছেই ঘৰত, এতিয়া মৰিবলৈ আহিও শান্তি নাই।

সিপুৰীত বৈ আছেই নহয় জীয়েকজনী। শুদাই এৰিবনে বুঢ়াক। ঘৈণীয়েকে, জীয়েকে মিলি একেবাৰে দকচিয়েই পেলাব বুঢ়াক। আৰু বা কি শাস্তি লিখাই আছে বুঢ়াৰ কপালত... নৰকৰ শাস্তি... ৰৌ ৰৌ নৰকৰ শাস্তি।

কলিজা নকপিবনে বুঢ়াৰ। কোনটো বেছি ভাল হ'ব- জীয়াই থকাটো নে মৰাটো ? -ভাবি ভাবি বুঢ়া গৈ থাকিল।

মৰিবলৈনো আৰু কিমান দূৰ বাট- বুঢ়ীয়ে ভাবিলে সেই কথা। খোজকাঢ়ি কাঢ়ি বুঢ়ীৰ ভাগৰ লাগিছিল। বেলি আহিচোন পূৰঠ হ'বৰ হ'ল। সেই পুৱাতেই ওলাইছিল ঘৰৰ পৰা। বুঢ়ীৰ ভোকো লাগিল। মৰিবৰ দিনা ভোকৰ চিন্তা কৰেনে কোনোবাই ? জীৱনত কোনোদিনেই নকৰিলে নিজৰ পেটৰ চিন্তা, ভোকৰ চিন্তা। পাব পাব, সিপুৰীত সকলো পাব। খোৱা- লোৱাৰ অভাৱ নাথাকিব তাত। শান্তিৰ অভাৱ নাথাকিব। আৰু সিপুৰীত যদি লগ পাই যায় জীয়েকক, তেতিয়া সকলো দুখেই আঁতৰি যাব। বুঢ়ীৰ মনটো ভাল লাগি আহিল।

অত দিনৰ পাছতো ছোৱালীজনীৰ মুখখন মনত ভাহি উঠিল তেওঁৰ। অবিকল ভাহি উঠিল।

অপাৰ শান্তিৰ ভাবনাত বুঢ়ীয়ে সকলো দুখ-কষ্ট পাহৰি যাবলৈ ধৰিলে। বুঢ়াই কম কষ্ট দিলেনে বঢ়ীক। থুকুচি থুকুচি আধানাৰ্জি কৰিলে বুঢ়ীৰ দেহা, বুঢ়ীৰ মন। সেইবোৰ কথা বুঢ়ীয়ে পাহৰি গ'ল। ল'ৰা-বোৱাৰীৰ পৰা পোৱা অপমান-অৱহেলাবোৰ পাহৰি গ'ল। জীৱনটো অভাৱ-অনাটনতে পাৰ হ'ল। খোৱাৰ চিন্তা, পিন্ধাৰ চিন্তা...। এস্ সেইবোৰনো কিবা কথানে। বুঢ়ীয়েনো কোনদিনা আপত্তি কৰিছে, অশান্তি কৰিছে মনত। এনেয়ো বুঢ়ীৰ মনত অপাৰ সুখ।

কেৱল একেটাই দুখ বুঢ়ীৰ-ছোৱালীজনীক হেৰুওৱাৰ দুখ। আজি সেই দুখো দূৰ হ'ব চাগৈ। ক'ত আছে ছোৱালীজনী ? চতিয়নাজোপাৰ তলতেই শুই আছেনে ? নে বৈ আছেগৈ সিপুৰীৰ দুৱাৰডলিত।

সিপুৰীৰ দুৱাৰডলি পাবলৈ আৰু বা কত বেলি।

গৈ গৈ নদীখন পালেগৈ সিহঁতে। নিজান নদীখন। এইখন নদীতেই জঁপিয়াই মৰিম বুলি মনতে পাঙিছিল বুঢ়াই। দলঙলৈ উঠি যোৱা ৰাস্তাটোৰ দাঁতিত এখন ফলক- দুৰ্বল দলং, সাৱধানে পাৰ হ'ব। বুঢ়াই জোৰে জোৰে পঢ়িবলৈ ধৰিলে ফলকখন। দুবাৰ, তিনিবাৰ পঢ়িলে। তাৰ পাছত পিছ্‌পিনে ঘূৰি বুঢ়ীক ক'লে- দলঙত নুঠোঁ ব'ল। পৰি মৰিম ক'ৰবাত। হাড়-মূৰ ভাগিলে এই বয়সত ঘুণীয়া হ'বহে লাগিব। ঘৰলৈকে ঘূৰি যাওঁ ব'ল। ভোকো লাগিছে ঢেৰ। -এইবুলি বুঢ়া নৰ'লেই। আকৌ হনহনাই উভতি খোজ ধৰিলে।

মৰকুঁচীয়া বুঢ়া, নমৰই যদি মোৰ সময়খিনি আধানাৰ্জি কৰিলি কিয়। কত কাম পৰি আছে মোৰ- বুঢ়াক গালি পাৰি পাৰি বুঢ়ীয়েও উভতি খোজ পেলালে। বেলি মূৰৰ ওপৰত ৰওঁতেই চতিয়নাজোপাৰ তল পাবগৈ লাগিব। তেহে যদি সময়ত চিকুণাই তুলিব পাৰোঁ ঠাইকণ। কাইলৈৰ বাবে পেলাই থ'বতো নোৱাৰি। কাইলৈ বা আকৌ কি। দেহাৰ জানো কিবা ভৰসা আছে। বুঢ়ীয়ে মনতে যুকিয়াই ল'লে নিজৰ সংকল্প।

ওভতনি যাত্ৰাত বুঢ়ীৰ খোজ খৰতকীয়া হ'ল। বুঢ়াক চেৰ পেলাই বহুখিনি আগুৱাই গ'ল বুঢ়ী।

## মানুহ

নিবেদন দাস পাটোৱাৰী

মানুহ
মাটি আকাশ পাহাৰ
নদী সাগৰ
সকলোতে মানুহ

ৰাস্তাত মানুহ
পদপথত মানুহ
পদুলিত মানুহ

জপনা খুলি শান্তিত ওলাব নোৱাৰি কেনিও
চালপীৰাত চিত হৈ শান্তিত মাৰিব নোৱাৰি এঘুমটি
পাকঘৰৰ মজিয়াত বহি শান্তিত খাব নোৱাৰি এমুঠি ভাত

তোমাৰ গাত ভেজা দি শান্তিত লিখিব নোৱাৰি
কবিতাৰ এটি স্তৱক
দুচকু মুদি শান্তিৰে আওৰাব নোৱাৰি
প্ৰিয় গীতৰ কলি
মাথোঁ মানুহ
যেনিয়ে তেনিয়ে মানুহ।

মই গান্ধীজীৰ দৰে হ'ম বুলি সৰুতে ৰচনা লিখা
মানুহজনেও আগেভেটে মানুহক
চোলাৰ ক'লাৰত ধৰি টানে পিছলৈ
ভেশ্চন প্ৰতিযোগিতাত বাপুৰ ভাওঁ ধৰা
মানুহজনেও পশু সজায় মানুহক
ঘড়ীৰ কাঁটা জেপত লৈ
কিনে বেচে সুৱদী সপোন

মানুহ
টেষ্ট টিউবত মানুহ
চন্দ্ৰপৃষ্ঠত মানুহ

মানুহ মানুহৰ প্ৰতাৰক প্ৰেমিক
মানুহ মানুহৰ পাৰমানৱিক অস্ত্ৰ
মানুহৰ তেজেৰে মানুহে পূজে
দেৱতাক

মানুহ
পূব-পশ্চিম উত্তৰ-দক্ষিণ
সকলোতে মানুহ
মাথোঁ নাই
মানুহৰ হৃদয়ত মানুহৰ গান
মানুহৰ ধমনীত মানুহৰ প্ৰাণ
মানুহৰ মগজুত মানুহৰ ঘ্ৰাণ

তুমিয়েই কোৱাচোন
অকল পিতা বুলি মতাটোৱেই জানো
পুত্ৰৰ একমাত্ৰ কাম

প্ৰতিজন মানুহ মহাত্মা নিশ্চয় হ'ব নোৱাৰে
কিন্তু মানুহ হ'ব পাৰে।।



## ৰূপান্তৰৰ বৰ্ণমালা

ড°ৰৌচন আৰা বেগম

১.
মোৰ ভাৱনাত তেওঁ কি ৰূপত উপলব্ধ,
কাকোৱেই বুজাব নোৱাৰোঁ মই; আনকি তেওঁকো।

২.
দ্বিধাহীনতা যদি দুৰ্বলতা, সৰলতা যদি পোছাকী সাজ;
দ্বিগ্বীজয় যদি একমাত্ৰ হাতৰ পতাকা!

বৰ নিৰস্ত্ৰ! বৰ অসহায় !
মোৰ এই দুখন হাত।

৩.
অনিৰ্দিষ্ট একোটা বিন্দুত একাকাৰ সূৰ্যোদয় আৰু সূৰ্যাস্ত,
কোনেও নেজানে কাৰ বাবে কেতিয়া, ক'ত
সেই বিন্দুটি হৈ থাকে নিৰ্দিষ্ট।

৪.
কোন তেওঁ, জলকুণ্ডৰ পৰা যি নিতে
তুলি নিয়ে মোক!
নিচুকাই শুৱায়, শেলুৰৈ পিচল মোৰ চোতালত
কিৰণ আনি বিলায়।

৫.
ভুলকে ফুল বুলি গৈ আছোঁ আগবাঢ়ি!
তুমি আছা নে নাই,
তুমি কষ্ট নে তুষ্ট তাৰো কোনো জ্ঞান নাই!
দুচকুত এতিয়াও একেই মন-প্ৰাণ হৰষিত কৰা সেই সুবাস।
তুমিতো জানাই
এই দুখুনীৰ আন একো হাবিয়াস নাই,
বৰযুণত তিতা ওখ-চাপৰ হেলনীয়া পাহাৰীয়া বাট,
পৰো বুলি পিচলি
মাথো কলিজা চমকি যায়।

## কবিতা

দেৱপ্ৰসাদ তালুকদাৰ

খুলি দিলোঁ
তেওঁৰ আধা ভিজা চুলিৰ খোপা
এটা অচিন ফুলৰ গোন্ধ বিয়পি গ'ল
সেই স্পৰ্শত ময়ো বিয়পিবলৈ ধৰিলোঁ
বিয়পিবলৈ ধৰিলোঁ প্ৰতিটো বিশ্বাসৰ নিশ্বাসত
এইদৰে বিয়পি বিয়পি
তেওঁ বিচৰা সাগৰখন হ'লোঁ
জোন, তৰা আহি জিৰাব ল'লে
সাগৰখনত
সাৰে থকা ৰাতিৰ কথা শুনি

এবাৰো নোসোধাকৈ গাভাৰী সপোন এটা
শুই পৰিল আমাৰ মাজত
সপোনৰ লাহী আঙুলিয়ে আঁকি গ'ল
সময়ৰ কথা

এটুকুৰা বেলিৰ পোহৰ নপৰা
ঘাঁহনিৰে আৱৰা ঠাইত
আমি নেদেখা হ'লোঁ
কি এক সঙ্গীতৰ ছন্দই বান্ধি পেলালে
মন প্ৰাণ
দলি মাৰি এটাই পানীত তোলা ঢৌৰ দৰে
ঢৌৱে ধুৱাই গ'ল পৰিধিলৈ

এটা অনাদৃত ৰাতিয়ে কান্দোন এটা
চেপি ধৰাৰ দৰে
মই সাগৰখন চপাই আনিব বিচাৰিছিলোঁ
যন্ত্ৰণাই শুকাই পেলোৱাৰ আগতে

## ক্ৰমশঃ

কবিতা কৰ্মকাৰ

ক্ৰমশঃ
আমি নিলগাই ৰাখিছো
শৰীৰৰ পৰা আত্মা
সলাই কলিজাৰ সঠিক ঠিকনা
ন কৈ শিকি শৰীৰী ভোগৰ আদিপাঠ
ৰাশি ৰাশি পোহৰ নাশি
প্ৰতাৰণাৰ আন্ধাৰ
আকাশ পোহৰ কৰা নক্ষত্ৰবোৰ
নুমুৱাই থৈছো

কবিতা লিখা আঙুলিত জুই ফুল,
জোনাক নিশাৰ তৰাৰ মায়া পাহৰি
যিহকেই চুওঁ যিহকে চাওঁ
শিল সময়ৰ শিল ভাঙি শিল হয় দুহাত

জুইৰে আৱৰা অন্ধ গলি
পুতিগন্ধময় পোতাশাল
দেহা পুৰিল হিয়া পুৰিল
আৰু আমি মৰাশৰ দৰে গোন্ধাই থাকিলো

নৰকত দিন ৰাতি একে
শৰবিদ্ধ বেলি আৰু জোনবাই
কলিজাৰ আলফুল আৱেগ হেৰুৱাই
ক্ৰমশঃ নৰক অভিমুখে
সমদল উলিয়ালো আমি
কঢ়িয়াই ফুৰিছো
মৃত্যুৰ শীতল দীঘল ছাঁয়া

নাজানো সৰগ কি অথবা নৰক
হয়তো সাধুকথাৰ একোটা পৃষ্ঠা
এই সময়ক এই কালচক্ৰৰ পৰিক্ৰমাৰ বাটক
ৰিজাব পৰাকৈ একোটা সঠিক উপমা

এনেকৈয়ে জীৱন
এখন উকা কেনভাচত
আতুৰ ওঁঠৰ ছাপ
আধা ছাঁ আধা পোহৰ

উৎসৱৰ শুভ সন্ধিয়াত
ৰিক্ত মহানগৰী
এই যেন টোপনিত ঢলি পৰা শিশু
নিজম নিতাল শাৰদী ঋতুৰ ৰাতি
ক'ৰবাত চুবুৰী উপচাই
শেৱালি ফুলিছে
ৰাতিফুলা ফুলবোৰে জানে
দিনৰ পোহৰৰ মায়া

ওখ ওখ ঘৰবোৰত
গিলিপ মাৰি ধৰিছে কিহবাই
আন্ধাৰ নে কুৰুঁলী মনিব নোৱাৰি
চৌদিশৰ দেৱালবোৰ
চাপি কুচি আহিছে
এই যেন উশাহ কাঢ়ি নিয়াৰ আয়োজন

এনেকৈয়ে জীৱন
সবি পৰাৰ আগৰ যত আয়োজন
কি আৱাহনী সন্মুখ পথৰ
আছাৰ খাই পৰা জোনাকৰ
নিজাৰ পৰি ফুলি ৰোৱা অচিন ফুলৰ
এই যে কাহানিও ফিৰি নহাৰ বাট একোটা থাকে
সকলোৰে বাবে
এই যে এডেও দুডেও কাষ চাপি আহে
ক্ৰমাত বিদায়ৰ লগন
এনেকৈয়ে জীৱনক
মৃত্যু শীতল পিছল স্পৰ্শ এটাই চুই থাকে ।

## মোৰ জন্ম কাহিনী

ড° ৰীতা দত্ত

জুইশলা বাকচত কাঠি ঘঁহিব নোৱাৰাকৈ
আঙুলি জঠৰ হোৱা এটি শীতৰ পুৱাত বোলে
মই আহিছিলোঁ আইৰ কোলালৈ...

সেইদিনা ঘৰে ঘৰে জ্বলিছিল মেজি
ফট্ ফট্ ফুটিছিল হিলৈ
গোৱা-পান এটিৰে সেৱকীয়ে সেৱা ধৰিছিল অগ্নি দেৱতাক..
দৈ-গুৰ সনা চিৰা জলপানটো মলমলাইছিল...
আৰু
আমাৰ ঘৰত পৰিছিল অশৌচ ,
পিতায়ে মেজি জ্বলাই নিদিয়া দেখি দাদা-বাইহঁতে লাগিছিল পেচ ।

তেতিয়াৰ পৰাই
ঘৰে ঘৰে উদযাপিত হয় মোৰ জন্মদিন
ভোগালী বিহুৰ নামত..
আই-পিতাই নোহোৱা হোৱাৰ পিছত আকাল পৰিল
একুৰা গপগপীয়া জুই..
চৰকাৰী কামত পিঠা পুৰিবলৈ সময় নোহোৱা
আন এক আকালে গ্ৰাস কৰিলে অগ্নিপূজা..
অথবা জন্মদিন ..

পাল মাৰি থবলৈ মেজি,
দুডালি কাঠ খৰি জাপি সজা এটি ক্ষীণকায় যোগ চিহ্ন,
মাঘ বিহুৰ নামত গঢ় লোৱা নানা আকৃতিৰ ভেলাঘৰ ..
দূৰদৰ্শনৰ ছবি
আৰু কত কি !

মন নাই কৰিবলৈ একো
জন্মদিনৰ নামত..
কিনি অনা নিমখীয়া ঘিলা পিঠাৰে চুগাৰ খেদি
তেজপাত উতলোৱা ৰঙা চাহত ওঁঠ তিয়াই
আজি আকৌ ওপজিছো এবাৰ..

মনত ৰাখিব পৰা শক্তি থকা হ'লে মনত পেলালোঁহেঁতেন
কিদৰে ওপজিয়েই গুজিছিলোঁ মুখ আইৰ ভৰুণ বুকুত..
এতিয়া তেনেকৈয়ে জ্বলি উঠিব মেজিবোৰ
উত্তাপহীন আনন্দত মুখ গুজি
এনেয়ে এবাৰ ...

## যাত্ৰা

দ্বীপেন বৰুৱা

এটা যাত্ৰাৰ শেষত
মুখামুখি হৈছিলোঁ আমি
কোনোবা এক অচিন দ্বীপত

ৰ'দত জিলিকি উঠিছিল
ভাগৰুৱা গালত ৰূপালী টোপাল
আৰু ক'ৰবালৈ উৰি গৈছিল চৰাইজাক

জিলিৰ মাতত এন্ধাৰ নামি আহিছিল
সৰাপাতবোৰ নিতাল মাৰি শুইছিল
আৰু আমি হৈ পৰিছিলোঁ মৌন।।

## আৱৰণ

ৰিজু ৰ'দালি বৰগোঁহাই

এখন আৱৰণ আঁৰিছিলি যিদিনা,
সিদিনাটো কোনেও নুসুধিল আৱৰণ কিহৰ?

আজি আৱৰণ খহি মুকলি বিহংগ,
সকলোৰে চাৱনিত ওলমিল প্ৰশ্নবোধক!

কিয় ??

হাঁহিৰ জোখ আৰু অশ্ৰুৰ লেখ
আনৰ মতে হ'লে
ভাগ্যৰ দোষ নহয়..হয় অকৰ্মন্য।।

নিজক চিনি উলিয়াই লৈ যাবলৈ বহু বেলি বাট ।
ৰৈ যাবিনে?ৰৈ দিবটো নোৱাৰি!

হাত মেলিলেই পায় যদি পাওঁক,
সাউদৰ পুতেকে নাওঁ, নুঠিবি তই।
তেজীমলা অ' ওভতি নাহিবি দুনাই।।

গছ হৈ থাক, ফুল হৈ থাক জনঅৰণ্য এৰি একাকীত্ব সামৰি,
জাগি থাক নিজৰ হৈ, জী থাক আপোনা আপুনিকৈ!

**চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত শেহতীয়া কেইটামান অনুষ্ঠানৰ স্থিৰচিত্ৰ**
















চৰাইদেউ জিলা প্ৰশাসনৰ হৈ চৰাইদেউ জিলা তথ্য আৰু জনসংযোগ বিষয়াৰদ্বাৰা প্ৰকাশিত আৰু বিনায়ক অফছেট প্ৰেছ, শিৱসাগৰত মুদ্ৰিত।